# रुपनाथ ब्रह्मनि रनसायबिदां

## ( खनथाइ, राइथाइ, दावबाइनाय जथाइ बिदां )



गाहाय सुजुगिरि
ड: मंगलसिं हाज'वारि

**"Rupnath Brahmani Ronsai Bidang"** - a Collection of Poems & Songs, Essays and Travelogue written by Rupnath Brahma and Published by SOUVENIR SUB-COMMITTEE, R.N. Brahma Birth Centenary Celebration Committee, Kokrajhar.

**1st Publication : December, 2002**
**Copy right reserved by the publisher.**

**EDITORIAL BOARD**

Dr. M.S. Hazowary, *(Chief Editor).*
Prof. Bani Datta *(Chairman).*
Mr. Rajendra Nath Brahma *(Convenor)*
Mr. Sunil Phukan Basumatary *(Joint Convenor)*
Prof. P.K. Roy *(Member).*
Mr. Umesh Ch. Nath *(Member)*
Mr. Benudhar Goyary *(Adviser)*

*Price : Rs. 30/-*

**Printed at :**
**GANDA OFFSET**
R.N. Brahma Road, Kokrajhar.

# Bodo- Kacharis and their Culture

(The following are the contents of Rupnath Brahma's broadcast from the Shillong - Gauhati station of All India Radio when he was the Forest Minister of Assam. Collected by Shri Govinda Brahma).

Editor.

The Boros of the Goalpara district, the Meches of theNorth East Bengal and the Kacharis of other parts of Assam including the North Cachar Hills and plains Cachar are quite identical people. The Tipras of Tippera are also very closely allied to them. Linguistically, physically and culturally these Tipras have a very close affinity with the Kacharis. All these people are commonly called as Bodos. It has been ascertained by the recent research by Dr. S. Chatterjee in his valuable work, " Kirate Jana - Kirti," that from north east Bengal and Assam in the north , the Bodo domination and influence extended beyond Cachar and Tippera up to Sylhet and Comilla in the south. These Bodo people are still found in the north east Bengal and in all part of modern Assam. In Assam Valley proper they are predominantly found in the submountain areas on both banks of the Brahmaputra river.

It is not possible to give even a skeleton sketch

about these great people and their achievements with the very limited time allotted to me. I am therefore, not going to enter into the details as to who these people were and what they did in Assam in the pre-historic and pre Ahom time. This much I can say that a new chapter will be opened in the history of Assam and north east India if the true facts can be broutht to light by a true and unbiased research work on these people and their culture. In the Plains portion these Bodo people can be said to be the earliest Indo Mongloid inhabitants in Assam. It is a fact that till the advance of the powerful Ahom, these Bodo people were the most dominant people in Assam with their high state of culture and civilization and exercised sovereignty in diferent places by different names throughout Assam. The Bodo Kacharis were the strongest power to give the strongest resistance to the Ahoms when they invaded Assam. The unique ruins at Dimapur and its neighbouring places in Nowgong and Mikir Hills, Khaspur, Kirtipur and many other places, the names of rivers, rivulets and the culture which they have still retained clearly and conclusively indicate what a tremendous and lasting influence these Bodo Kacharis people exerted all over the north east Bengal and Assam right up to Tippera and Sylhet. The rivers Dihang, Dibung, Diru, Disang, Dikhow, Dhansiri, and Belsiri which are pregnent with meanings are still flowing with Bodo names.

Let me analyse some of these names "Di" means





water and "bung" means superfluity. Dubung therefore means superfluity of water of voluminous water. Dihang means river or water which flows down violently without caring for obstruction. Disang means the river or water which easily gets overflooded. Dikhow means reservoir of water of deep water. The Boros call the Brahmaputra river as "Bullung - Butthar" which means gorgeous and wavy onrush of water. Belsiri, Dhansiri and Sonasiri are the mythological heroines of the Boro mythology. It may be mentioned here that the suffixes ti, siri and mali are used by the Boro after the female names.. Gongati, Belsiri, Sarmali are some of the common names of Boro females. A close study of culture, civilizatin and social structure of these Boro people will clearly convince us that they attuned a distinct state of civilization and culture long before the coming of the Ahoms into Assam. It is evident that the peculiar culture and civilization of the Indo Aryan and Indo Mongoloid Bodo people.

The Boros are divided into several clans of which Narjari (priestly class) Basumatari (landlord class), Swargiari (heaven by folk), Daimari (river folk) are the main. They live in the villages in the plains. They have their own society which is on a sound structure. Formerly they used to settle their disputes among themeselves by village elders. Certain number of village were under "Gara" or headman whom they used to call "Gamini-Gara" that is headman of the villages. The moral is very

high, specially chastity of the womenfolk is maintained with the highest esteem.

Agriculture, sericulture and weaving are the main occupation of the people. Among the indigenous people they are undoubtedly the best agriculturists in Assam. They have a great skill in placing dams and cutting irrigational canals for carrying water to their paddy fields. The knowledge and skill in P.W.D. an irrigation works have been very highly spoken of by the western writers. The Boro women are expert weavers and spinners. They have their own colourful designs which are most vigorious and attractive. They have special technique of weaving. Lady Hydari, while visiting the plains tribal Boro area in the northern part of the district of Goalpara with the late Sir Akbar Hydari, remarked: "These exhibit of cloth of different designs which I have seen to-day are the best specimen I have ever seen in India and abroad".

Their music and dances are very scientific and graceful. They have their musical instruments which are called (1) Kham (drum). (2) Siphoong (flute), (3) Serza (saronga), (4) Bingi (Bina), etc. Their dances with musical instruments are very highly commendable. In their national festival which is generally held in the month of Agrahayan the female dancer who is called Deodhai dances with sword and shield. There Boro people are also very rich in folk tales and mythological stories. It will be great thing if these folk tales and mythological stories can be collected.





Many of those Boro- Kachari people have adopted the Hindu religion while majority of them have still retained their original form of worship. They also worship sun and fire though Bathau Barai or Bura Bathau is worshipped by them as their supreme Lord. This Bathau Barai or Bura Bathau is no other than Lord Siva. There are also some other gods and goddesses such as goddess of wealth goddess of household etc. In the district of Goalpara the educated and respectable section of them have adopted a form of Vedic religion which was progated by the great Parawahausa, Srimat Sivnarayan Swami and preached among them by their Guru, the late Srimat Kalicharan Brahma who hailed from the Goalpara district. The first awakening came to these people in the district of Goalpara after the preaching of new Vedic religion by the aforesaid Guru, the late Kalicharan Brahma.

This is a rough idea in short that I have given about the Boro Kachari people. Time has come now to carry on research work on these great and interesting people and their culture.

# দ্বাদশ অধিবেশনৰ সভাপতিৰ অভিভাষণ ধুবুৰী, ডিসেম্বৰ ১৯৫৬

আদৰণী সভাৰ সভাপতি, সভ্যসকল আৰু উপস্থিতি সাহিত্যিক সুধীবৃন্দ, আজি অসম সাহিত্য সভাৰ ৰজত জয়ন্তী অধিবেশনৰ বুৰঞ্জী শাখাৰ সভাত মোক সভাপতি বৰণ কৰি সন্মানিত কৰাৰ কাৰনে মই কৃতাজ্ঞতাৰে সৈতে আপোনালোকৰ সকলোকে মোৰ আন্তৰিক ধন্যবাদ জনাইছো । আপোনালোকৰ প্ৰস্তাৱ মতে আপোনালোকৰ আশীৰ্বাদ শিৰোধাৰ্য্য কৰি সভাপতিৰ আসন গ্ৰহণ কৰি মই সভাৰ কাৰ্য্য পৰিচালনা কৰিবলৈ আগ বাঢ়িছো । মই ঐতিহাসিক নহও, সাহিত্যিকো নহও আৰু সভাপতি হোৱাৰ যোগ্যতাও মই দাবী নকৰোঁ । তথাপি যে আপোনালোকে মোক সভাপতি নিৰ্বাচিত কৰিছে, ই মোৰ আৰু সদৌ গুৱালপাৰা বাসীৰ প্ৰতি আপোনালোকৰ অকৃত্ৰিম স্নেহ আৰু শুভেচ্ছা । এই সন্মান মোৰ ব্যক্তিগত সম্মান নহয়-এই সম্মানৰ দ্বাৰা আজি আপোনালোকে অসমৰ অতি প্ৰাচীন ইণ্ডো-মঙ্গলইড বড়ো জাতিক আৰু গুৱালপাৰা জিলাৰ অধিবাসীসকলক সন্মানিত কৰিছে । এই কাৰনে মই সদৌ অসমৰ বড়ো জাতি আৰু গুৱালপাৰা জিলাৰ অধিবাসীসকলৰ পক্ষৰপৰা আপোনালোকলৈ আকৌ শলাগৰ শৰাই আগবঢ়াইছো আৰু অসমৰ সাহিত্যিক সকলক সশ্ৰদ্ধ অভিনন্দন জনাইছো।

আজি মনত পৰে-ত্ৰিশ বছৰ আগতে ১৯২৬ খ্ৰীষ্টাব্দৰ এই ধুবুৰীত হে যোৱা অসম সাহিত্য সভাৰ কথা। তেতিয়া মই কলিকতাত এম.এ. আৰু আইন পঢ়িছিলো । কলিকতালৈ পঢ়িবলৈ যোৱাৰ আগখিনিতে স্বৰ্গীয় আনন্দ চন্দ্ৰ আগৰৱালাৰ লগত মোৰ ভালদৰে পৰিচয় হৈ গৈছিল। স্থানীয় বড়োসকলৰ মাজত প্ৰথম বি.এ. পাছ কৰি ওলোৱাৰ কাৰণে তেখেতে





মোক বৰ ভাল পাইছিল। মোৰ স্বৰ্গীয় পিতৃদেৱৰ লগতো তেখেতৰ বৰ ভাল ভাৱ আছিল আৰু ল'ৰাটোক বি.এ. পাছ কৰাই কলিকতাত এম.এ আৰু আইন পঢ়িবলৈ পঠোৱাৰ কাৰণে বৰকৈ ধন্যবাদ দিছিল। স্বৰ্গীয় আগৰৱালাদেৱ তেতিয়া ধুবুৰীত পুলিচ চুপাৰিন্টেণ্ডেন্ট হৈ আছিল। তেখেতৰ কথা আজি বৰকৈ মনত পৰে । তেখেতে এদিনাখন মোক লগ ধৰি কলে- “ব্ৰহ্ম ডাঙৰীয়া, আপুনি যদি সহায় কৰে মই এটা ডাঙৰ কাম কৰিবলৈ বিচাৰিছোঁ ।” তেখেতে ধুবুৰীত অসম সাহিত্য সভা পতাৰ কথা কলে । মই সৰ্ব্বতোপ্ৰকাৰ সহায় কৰিম বুলি কোৱাত তেখেতে আনন্দ উৎসাহেৰে মোক ধন্যবাদ দিলে। ধুবুৰী মহকুমাবাসী সকলো ৰাইজৰ, বিশেষকৈ বড়ো সকলৰ সহায় সহযোগত আৰু আগৰৱালাদেৱৰ অক্লান্ত চেষ্টাৰ ফলত সাহিত্য সভাৰ সেই অধিবেশনৰ কাম সুকলমে সম্পন্ন হৈ গ'ল। আজি শ্ৰদ্ধেয় আগৰৱালাদেৱ আমাৰ মাজত আৰু নাই। তেখেতৰ সেই “সুখৰ বাতৰি লৈ আহিছো ওলাই মই।” কথাটো এতিয়াও মনত পৰে । আজিও বাছি থকাহেঁতেন তেখেতে কিমান নতুন নতুন সুখ, শান্তি আৰু সত্যৰ বাতৰি শুনাই আমাক মুগ্ধ আৰু উদ্বীপিত কৰি তুলিলেহেঁতেন । আজি তেখেতৰ পৱিত্ৰ আত্মাৰ উদ্দেশ্যে মই শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছো।

পূণ্যভূমি ভাৰতবৰ্ষৰ উত্তৰ-পূৱ প্ৰান্তত হিমালয়ৰ পাদদেশত অৱস্থিত-প্ৰাকৃতিক সৌন্দৰ্য্য সম্পদেৰে অতুলনীয় আমাৰ এই অসম দেশৰ ইতিহাস পৰ্য্যালোচনা কৰিবলৈ পাতনি মেলাৰ আগতে আমাৰ প্ৰখ্যাত বৰেণ্য প্ৰত্নতত্ত্ববিদ স্বনামধন্য শ্ৰদ্ধেয় সুনীতিকুমাৰ চট্টোপাধ্যায় মহোদয়ে অনুসন্ধিৎসু হৈ যি প্ৰশ্ন উত্থাপন কৰিছিল, সেই প্ৰশ্ন সুধী সাহিত্যিক সকলৰ আগত দাঙি ধৰা সমীচিন হব বুলি ভাবিছো । তেখেত তেখেতৰ এখনি গৱেষণামূলক কিতাপৰ উপসংহাৰত এই ভাৱে এটা ডাঙৰ প্ৰশ্ন তুলিছে,- “Can we think of Indian history and civilization particulariy in Eastern India without the contribution

of the Licchavis and the Newars, the Koch, Kachari, Tipra and the Bodo peoples the Ahoms, the Jayantias and the Manipuris অৰ্থাৎ "লিচ্ছৱি নেৱাৰ, কোচ, কছাৰী, ত্ৰিপা, বড়ো, আহোম, জয়ন্তীয়া আৰু মনিপুৰসকলৰ বৰঙণি আৰু অৱদান বাদ দি আমি ভাৰতৰ বিশেষকৈ পূৰ্ব্ব ভাৰতৰ ইতিহাস আৰু সভ্যতাৰ কথা ভাবিব পাৰোঁনে ?" ঠিক সেইভাৱে মই আজি আমাৰ অসমৰ ঐতিহাসিক আৰু সাহিত্যিকসকলৰ আগত এই প্ৰশ্ন দাঙি ধৰিব খুজিছো যে, "বড়ো, কোচ, কছাৰী, আহোম, চুটিয়া টিপ্ৰা, মণিপুৰী ইত্যাদি প্ৰাচীন অসমৰ আদিম জাতিসকলৰ অৱদান আৰু বৰঙণি বাদ দি, আমি আমাৰ অসমৰ ইতিহাস আৰু সভ্যতাৰ কথা ভাবিব পাৰোঁনে ?" "নোৱাৰোঁ ।" আজি অসমত এই প্ৰশ্নৰ মৰ্ম্ম উপলব্ধি কৰি সত্যৰ ওপৰত ভিত্তি কৰি মঙ্গলৰ উদ্দেশ্য লৈ প্ৰকৃত ঐতিহাসিক তত্ত্ব উদঘাটন কৰিবৰ কাৰণে সুস্থ গৱেষণাৰ বিশেষ প্ৰয়োজন হৈছে। সত্যৰ মৰণ নাই। "মৰেনা মৰেনা কভু সত্য যাহা চিৰ শতাব্দীৰ বিস্মৃতিৰ তলে। নাহি মৰে উপেক্ষায়; আঘাতে নাটলে অপমানে নাহয় অস্থিৰ ।" কবিগুৰুৰ এই শাস্বত আশ্বাস বাণীৰ দ্বাৰা উদ্বুদ্ধ হৈ আমাৰ প্ৰত্নতাত্বিক আৰু ঐতিহাসিক সুধী বৃন্দই গৱেষণা আৰু ইতিহাস ৰচনাৰ গুৰুত্বপুৰ্ণ কামত আত্মনিয়োগ কৰিব বুলি মই আশা কৰিছো।

অসমৰ প্ৰাচীন ইতিহাস আজিও তিমিৰাবৃত হৈ আছে । আহোম সকলৰ অসম আগমন আৰু ৰাজত্বৰ সময়ৰ পৰাহে অসমৰ তৎকালীন ইতিবৃত্ত অলপ পোহৰলৈ আহিছে । শ্ৰদ্ধেয় শ্ৰীসূৰ্য্যকুমাৰ ভূঞা প্ৰমুখ্যে ঐতিহাসিক সুধীসকলৰ প্ৰচেষ্টা আৰু গৱেষণাৰ ফলত আজি আমি আহোম যুগৰ ধাৰাবাহিক ইতিহাস পাবলৈ সমৰ্থ হৈছোঁহক। আহোম ৰজা আৰু বৰমুৰীয়া সকলৰ বুৰঞ্জী লিখি ৰখাৰ প্ৰথা বা প্ৰচলন থকাৰ কাৰণেই আহোম ৰজাসকলৰ শাসন কালৰ ধাৰাবাহিক এটি বিৱৰণ পোৱা সম্ভৱপৰ হৈছে।





এই দৰে অসমত আহোম ৰাজত্বৰ প্ৰতিষ্ঠাতা ৰজা চুকাফাৰ ৰাজত্বৰ প্ৰাৰম্ভ পৰা শেষ আহোম ৰজাৰ ৰাজত্ব কাললৈকে আমি তৎকালীন অসমৰ ধাৰাবাহিক বিৱৰণ পাওঁ । কিন্তু প্ৰাগ আহোম যুগৰ অৰ্থাৎ আহোম ভাইসকল অসমলৈ অহাৰ পুৰ্ব্ববৰ্ত্তী কালৰ বিশ্বাসযোগ্য সঠিক ধাৰাবাহিক বিৱৰণ বা ইতিবৃত্ত আজিও আমি পাব পৰা নাই । বৰ্ত্তমানত দেখা যায় যে ভিন ভিন লেখকে বিভিন্ন দৃষ্টিকোণৰ পৰা বিভিন্ন মত পোষণ কৰি সেই বিস্মৃত প্ৰায় যুগৰ অস্পষ্ট বিৱৰণ দাঙি ধৰিবলৈ চেষ্টা কৰিছে । কিন্তু সেই বিৱৰণ বিলাক ব্যক্তিগত মত প্ৰকাশৰ প্ৰতিষ্ঠিত হয় নে নহয় সেইটোহে প্ৰণিধান কৰি চোৱা উচিত। মই কোনো ব্যক্তিগত লেখকক উদ্দেশ্য কৰি কোৱা নাই। দেশৰ লুপ্ত প্ৰায় ইতিবৃত্ত পুণৰুদ্ধাৰ কৰি প্ৰকৃত তথ্য প্ৰকাশ কৰাটো গুৰুত্ব ৰ দায়ীত্বৰ কাম । মই আশা কৰোঁ আমাৰ উদীয়মান সাহিত্যিক আৰু ঐতিহাসিক সকলৰ সুস্থ গৱেষণাৰ ফলত প্ৰাগ আহোম যুগৰ অস্পষ্ট ইতিবৃত্তৰ ক্ৰমবিকাশ হৈ সুস্পষ্ট হৈ উঠিব । আহোম ৰাজকুল-তিলক চুকাফাই দীৰ্ঘ ত্ৰয়োদশ বছৰ দুৰ্গম পাটকাই গিৰি শৃঙ্গৰ পৰ্ব্বত মালা বেষ্টিত ভূখণ্ডত পৰিভ্ৰমণ কৰাৰ পিছত দেৱতাৰ কাম্যভুমি ৰত্নপ্ৰসু অসমভূমিত ১২২৮ খ্ৰীষ্টাব্দত প্ৰথম পদাৰ্পন কৰে আৰু ১২৫৩ খ্ৰীষ্টব্দত চৰাইদেউ পাহাৰত প্ৰথম নগৰ স্থাপন কৰে। ৰজা চুকাফাই অসম অভিযান যাত্ৰা কৰাৰ সময়ত মাত্ৰ ৮ জন সম্ভ্ৰান্ত ব্যক্তি, ৯০০০ মানুহ (মতা, তিৰোতা, লৰা-ছোৱালীৰে সৈতে), দুটা হাতী আৰু ৩০০ ঘোঁৰা লগত লৈ আহিছিল। তেওঁৰ ৰাজত্বৰ পিছত তেওঁৰ পুত্ৰ চুতেনফাই ১২৬৮ খ্ৰীষ্টব্দত আহোম ৰাজপাটত উঠে । এইজনা ৰজাৰ ৰাজত্বৰ সময়ত কছাৰীসকলে দিখৌ নৈৰ পূবত থকা তেওঁলোকৰ ৰাজ্যৰ অংশ ত্যাগ কৰি দিছিল। তেওঁৰ পৰবৰ্ত্তী ৰজা চুহেনফাৰ ৰাজত্বৰ সময়ত ১৪৯০ খ্ৰীষ্টব্দত আহোম কছাৰী সকল মাজত ডমাপুল নামক ঠাইত ঘোৰতৰ যুদ্ধ হয়। এই যুদ্ধত আহোমসকল পৰাজিত হয় আৰু কছাৰী ৰজালৈ এগৰাকী ৰাজকুমাৰী, দুটা হাতী আৰু ১২ জনী দাসী উপঢৌকন

দি পঠিয়াই শান্তি স্থাপনৰ প্ৰস্তাৱ কৰা হয়। চুহেনফাৰ পৰবৰ্ত্তী ৰজা চুহুংমুঙ ৰাজত্বৰ সময়ত (১৪৯৭-১৫৩৯) চুটিয়াসকল আহোমৰ হাতত পৰাজিত হয়। আৰু চুটিয়া ৰাজ্য আহোম ৰাজ্যৰ অৰ্ন্তভুক্ত হয় । এই সময়তেই আহোম সকলৰ মাজত ব্ৰাহ্মণ্য ধৰ্ম্মৰ প্ৰভাৱ প্ৰথম বিস্তৃত হয়; আৰু চৰাইদেউত ঋকভন যজ্ঞ অনুষ্ঠান কৰি ৰজা চুহুংমুঙে স্বৰ্গনাৰায়ণ উপাধি গ্ৰহণ কৰে। এই সময়তেই চুটিয়া ৰাজ্যৰ অন্তৰ্গত শদিয়াৰ পৰা ব্ৰাহ্মণ, কমাৰ আৰু মিস্ত্ৰি, আহোম ৰাজধানীলৈ লৈ যোৱা হৈছিল। বহু বছৰ তয়াময়াৰণ হৈ যোৱাৰ পিছত ১৫৩১ খ্ৰীষ্টাব্দত কছাৰী ৰাজ ডেটচুঙৰ সময়ত অসমৰ ৰাজপুতমন্য অমিত বিক্ৰম কছাৰী সকল পৰাজিত হয় আৰু তেওঁলোকৰ ডিমাপুৰ ৰাজধানী বিধ্বস্ত হয়। নগাঁৱৰ কলংনৈৰ উত্তৰ পাৰত থকা কছাৰী ৰাজ্যৰ অংশ ক্ৰমে আহোম সকলৰ অধীনলৈ আহি যায় । ডিমাপুৰ বিধ্বস্ত হোৱাৰ পিছত কছাৰী সকলে মাইবঙত গৈ নতুন ৰাজধানী স্থাপন কৰি বহু বছৰ মাজত কৰাৰ পিছত বৃটিছৰ ৰাজ্যৰ অন্তৰ্ভুক্ত হয়। আহোম কছাৰীৰ ৰণত আহোম কছাৰী উভয় পক্ষই কামান বন্দুক ব্যৱহাৰ কৰিছিল। কছাৰী ৰজাই যুদ্ধত পৰাজিত হোৱাৰ তিনিজনী কছাৰী ৰাজকুমাৰীক আহোম ৰজাৰ অন্দৰমহলৈ পঠিয়াই দিয়া হৈছিল । কছাৰী ৰজা ডেটচুঙৰে কছাৰী ৰাজপাটত বহাৰ সময়ত নিজৰ এজনী ভনী আৰু বহু উপঢৌকন আহোম ৰজা চুহুংমুঙলৈ পঠিৱাই দিয়া হৈছিল । এইদৰে দেখা যায়, বহুত আগৰে পৰা আহোম কছাৰীৰ ভিতৰত সৎভাব আৰু ভাল সম্বন্ধ স্থাপন কৰি মিলনৰ প্ৰচেষ্টা চলিছিল ; আৰু লাহে লাহে এই দুয়ো জাতিৰ মাত বৈবাহিক সম্বন্ধও প্ৰচলন হৈছিল; আৰু বহু কছাৰীয়ে আহোম বুলি পৰিচয় দিছিল।

খ্ৰীষ্টীয় ১৫৩৭ শতাব্দীত কোচ ৰজা বিশ্বসিংহৰ লগত আহোম ৰজা চুহুংমুং প্ৰথম সংস্পৰ্শত আহে। দুয়ো ৰজাৰ ভিতৰত সৎ ভাৱ স্থাপন হয় আৰু দুয়োৰে মাজত বহুতো উপঢৌকন আদান প্ৰদান হয়। তাৰ পিছত, ১৫৪৬ খ্ৰীষ্টাব্দত অৰ্থাৎ ৰজা চুক্লেনমুঙৰ ৰাজত্ব কালত, কোচ সকলৰ





লগত আহোম সকলৰ আকৌ যুদ্ধৰ আৰম্ভ হয়। কোচ ৰজাসকল ৰাজধানী কোচবিহাৰৰ পৰা উত্তৰ লখীমপুৰৰ নাৰায়ণপুৰলৈকে এটা কোচ ৰাজআলি নিৰ্ম্মাণ কৰি কোচ সকলে আহোমৰ বিৰুদ্ধে সৈন্যবাহিনীৰ অভিযান চলায়। প্ৰথমে কোচ সকল পৰাজিত হয়, কিন্তু ১৫৬২ খ্ৰীষ্টাব্দত আকৌ বিবাদ হয়, আৰু তাৰ ফলত যি যুদ্ধ হয় তাত আহোম সকল বিধ্বস্ত হয় ; আৰু কোচসকল আহোম ৰাজ্যত বিয়পি পৰে। বিজয় গৌৰৱে চিলাৰায়ে আহোমৰ ৰাজধানী গড়গাঁৱত প্ৰবেশ কৰে । সন্ধি স্থাপিত হয়। চিলাৰায় নিজ ৰাজ্যলৈ উভতি যায়, আৰু কিছুমান কোচ কাৰিকৰ আহোমসকলৰ লগত যায় । এই কোচ কাৰিকৰ সকলে মাটিৰ কামত বিশেষকৈ দুৰ্গা আদি হিন্দুৰ দেৱ-দেৱীৰ মূৰ্ত্তি তৈয়াৰ কৰাত বৰ পাৰ্গত আছিল । তাৰ পিছত ১৫৭০ খ্ৰীষ্টাব্দলৈকে কোনো বিবাদ হোৱা নাছিল। ১৫৭০ খ্ৰীষ্টাব্দত কোচসকল সম্পুৰ্ণ পৰাজিত হয়, আৰু বহুত সৈন্য,নাও, কামান হেৰুৱায় । ১৫৮৫ খ্ৰীষ্টাব্দত কোচ ৰজা ৰঘুদেৱে তেওঁৰ জীয়েক শঙ্কলাক আহোমৰাজ চুখামফাৰ লগত বহুত উপঢৌকনেৰে সৈতে বিয়া দিয়ে।

জয়ন্তীয়া ৰাজ্যৰ ৰজাসকলৰ লগতো আহোম ৰজাসকল সংস্পৰ্শত আহিছিল। তেওঁলোকৰ মাজত সদ্ভাব আৰু সন্ধি স্থাপনৰ কথাও বিৱৰণত উল্লিখিত আছে।

আহোম ৰজা ৰুদ্ৰসিংহৰ ৰাজত্বৰ সময়ৰ (১৭২৪ খ্ৰীঃ) ৰাজদূত বা কটকী, ৰত্নকন্দলি আৰু অৰ্জ্জুনদাসৰ লিখিত ত্ৰিপুৰা বুৰঞ্জীৰপৰাও ত্ৰিপুৰা ৰাজ্যৰ মহাৰজাসকলৰ আৰু তেওঁলোকৰ ৰাজ্যৰ বিৱৰণী পোৱা যায়। এই ত্ৰিপুৰা ৰাজ্যৰ টিপৰাসকলৰ ভাষা সংস্কৃতি লগত লৌহিত্য উপত্যকাৰ বড়ো কছাৰীসকলৰ ভাষা সংস্কৃতি বহুত সামঞ্জস্য দেখা যায়। এই হিচাপে টিপৰাসকলকো বড়ো জাতিৰ অৰ্ন্তভূক্ত বুলি ধৰা যায়।

উপৰোক্ত চমু বিৱৰণী বিলাকৰ পৰা পৰিস্কাৰ ভাৱে জানিব পাৰি যে আহোম সকল অসমলৈ অহাৰ সময়ত আৰু আগত-আমাৰ এই বিশাল

লৌহিত্য উপত্যকাত আৰু তাৰ সান্নিধ্যত থকা ভূখণ্ডত কোচ, কছাৰী, চুটিয়া, টিপাৰা আৰু জয়ন্তীয়া ৰজা সকলে ৰাজত্ব কৰি আছিল, আৰু এই জাতীয় লোক সকলে শৌৰ্য্যে-বীৰ্য্যে, ঐশ্বৰ্য্য-আৰু সভ্যতাত কোনো গুণে কম নাছিল। আজিও কছাৰী, কোচ আৰু টিপাৰা বংশৰ ৰজাসকলৰ মুদ্ৰা, শিলালিপি, শিলামুত্তি আৰু ভ গ্নগৰীৰ ভগ্নস্তুপৰ কাৰু-কাৰ্য্য বিলাকৰ পৰা তেওঁলোকৰ শিল্পনৈপুণ্যৰ পূৰ্ণ চানেকি পোৱা যায় । এই কোচ, কছাৰী, চুটীয়া আৰু টিপাৰা কোন ? আৰু তেওঁলোকৰ পূৰ্ব্বে এই বিশাল কামৰূপ ৰাজ্যত কোনেনো ৰাজত্ব কৰিছিল-এইবোৰ তথ্য আজি কোনে উদঘাটন কৰিব ? এই কোচ, কছাৰী,চুটিয়া আৰু টিপাৰা জাতীয় লোকসকলে আজিও নিজ নিজ সংস্কৃতি আৰু ঐতিহ্য বজায় ৰাখি বৰ্ত্তমান অসমৰ সকলো ঠাইত আৰু ত্ৰিপুৰাত বিয়পি আছে ।এই সিদিনা খনলৈকে প্ৰাচীন প্ৰাগজ্যোতিষপুৰ বৰ্ত্তমান গুৱাহাটী আৰু শোনিতপুৰ বৰ্ত্তমান তেজপুৰ বড়ো (কোচ-কছাৰী) জাতীয় লোকেৰে ভৰপুৰ হৈ আছিল। আমি গুৱাহাটী কলেজত পঢ়া সময়লৈকে গুৱাহাটী চহৰ বড়ো (কছাৰী) জাতীয় মানুহেৰে ভৰি আছিল। কালৰ কুটিল প্ৰৱাহত আৰু অৱস্থাৰ বিপৰ্য্যস্ত হৈ পৰিছে- সুক্ষ্মদৰ্শী, শুভাকাঙ্খী, সুধীসকলে সেই কাহিনী ভালকৈ জানে। বৰ সুখৰ বিষয় ভাৰত স্বাধীন হোৱাৰ লগে লগে আজি দেশৰ বৰেণ্য নেতৃবৃন্দৰ সুনেতৃত্বত এই লোক সকলে নতুন চেতনা আৰু আত্মসংজ্ঞা (self-consciousness) লাভ কৰি নিজৰ অস্তিত্ব ৰক্ষা কৰিবলৈ সুবিধা পাইছে। আজিৰ পৰিস্থিতিত এনে অৱস্থাৰ সৃষ্টি হৈছে, যি অৱস্থাৰ মাজত মানুহে কল্পনা কৰিব নোৱাৰে যে এসময়ত এই জাতিৰ পূৰ্ব্ব পুৰুষসকলৰ দ্বাৰা প্ৰাগজোতিষপুৰ, শোণিতপুৰ, ডিমাপুৰ, কীৰ্ত্তিপুৰ (মাইবাং) আৰু খাছপুৰৰ নিচিনা নগৰ আৰু ৰাজধানী নিৰ্ম্মিত আৰু স্থাপিত হৈছিল। নৰকাসুৰ, বানাসুৰ, ভগদত্ত, ভাস্কৰবৰ্মণ, ভীষ্মক, শালশুস্ত, হৰ্জ্জৰবৰ্ম্মন, ব্ৰহ্মপাল, ৰত্নপাল, আৰিমত্ত ইত্যাদি অসমৰ প্ৰাচীন যশস্বী ৰজাসকলৰ সম্বন্ধে আজিও





প্ৰামাণ্যৰে সৈতে কোনো সঠিক বিৱৰণ লিখিত হোৱা নাই । আজিৰ দিনত বৰ্ত্তমান পৰিস্থিতিত সেই ৰজাসকলক, এই কোচ, কছাৰী আৰু চুটিয়াৰ পূৰ্ব্বপুৰুষ সকলৰ বংশসম্ভুত বুলি ক'লে হয়তো বহুতে বিশ্বাস কৰিবলৈ টান পাব। কিন্তু মোৰ দৃঢ় ধাৰণা, গভীৰ আৰু সুস্থভাৱে গৱেষণা কৰি চালে এই সভ্যতা নিশ্চয় প্ৰমাণিত হব ; আৰু অদূৰ ভবিষ্যতত এই সত্য তথ্য উদঘাটিত হবই হব। এই সম্বন্ধে আজি মোৰ ভাষণত এইখিনিয়েই উনুকিয়াই থৈ আগলৈ কেতিয়াবা বিস্তৃতভাৱে অলোচনা কৰিবলৈ আশা ৰাখিলোঁ ।

ভাৰতীয় আৰ্য্যসকলে (Indo-Aryans) ভাৰতৰ পূৰপিনে বিস্তৃতি লাভ কৰাৰ আগত পূৰ্ব্ব বিশেষকৈ বিহাৰৰ উত্তৰ, বঙ্গদেশৰ পূৰ্ব্ব আৰু সমগ্ৰ অসম (ত্ৰিপুৰা শ্ৰীহট্টৰে সৈতে) ভাৰতীয় মঙ্গোলীয়ান (Indo-Mongoloids) জাতীয় লোকসকলৰ দ্বাৰা অধ্যুষিত আছিল । এই ভাৰতীয় মঙ্গোলীয়ান সকলৰ নিজৰ উচ্চ খাপৰ বিশিষ্ট কৃষ্টি আৰু সভ্যতা আছিল।এই ইণ্ড-মঙ্গোলীয়ান কৃষ্টি সভ্যতা আৰু ইণ্ড-এৰিয়ান কৃষ্টি সভ্যতা এই দুয়োৰে অপূৰ্ব্ব সংমিশ্ৰনৰ ফলত পূৰ্ব্ব ভাৰতত, বিশেষকৈ প্ৰাচীন কামৰূপৰ লৌহিত্য উপত্যকাত এক বিশিষ্ট কৃষ্টি-সভ্যতা গঢ়ি উঠিছিল । নৰকাসুৰ ভগদত্তৰ যুগৰ পৰা আৰম্ভ কৰি কোচ, কছাৰী, আহোম, টিপৰা ৰজাসকলৰ ৰাজত্ব কাললৈকে আমাৰ এই অসমত, এই অপূৰ্ব্ব সন্মিলৰ পুৰ্ণ আভাস পোৱা যায়।ইণ্ডো-মঙ্গোলীয়ান জাতীয় যশস্বী ৰজাসকলে নিজ নিজ বৈশিষ্ট্য অক্ষুণ্ণ ৰখাৰ লগে লগে ইণ্ডো-এৰিয়ান কৃষ্টি সভ্যতা আৰু ব্ৰাহ্মণ্য ধৰ্ম্মৰও পৃষ্ঠপোষকতা কৰি আহিছিল আৰু তাৰ ফলত লাহে লাহে প্ৰাচীন ইণ্ডো-মঙ্গোলীয়ান ৰজা সকলে ভাৰতৰ পূৰ্ব্ব ভাগত বিস্তৃতি লাভ কৰিবলৈ সুবিধা পাইছিল । বড়ো-জাতীয় কোচ, কছাৰী, চুটিয়া ৰজা আৰু আহোম জাতীয় ৰজাসকলৰ ৰাজত্বৰ কাল ছোৱাত ব্ৰাহ্মণ্য ধৰ্ম্মৰ প্ৰভাৱৰ নিদৰ্শনৰ পৰাও ইয়াৰ পৰিস্কাৰ প্ৰমাণ পোৱা যায় । কছাৰী ৰজাৰ দিনত ৰামায়ণ, নাৰদীয় পুৰাণ আদি ৰচনা, কোচ ৰজাৰ দিনত হিন্দু মঠ মন্দিৰত স্থাপন আৰু যুগ

ধর্ম প্রচাৰৰ সুবিধা দান, আহোম ৰজাৰ দিনত ব্ৰাহ্মণ্য ধৰ্ম্ম প্রচাৰৰ কথা সকলোৰে সুবিদিত।

আমাৰ প্ৰাচীন কামৰূপ তথা অসম ৰাজ্যত আহোম সকলৰ আগলৈকে বাহিৰৰ পৰা আন কোনো ৰজা আহি ৰাজত্ব কৰা নাছিল। যুগে যুগে আমাৰ অসম দেশৰ আদিম অধিবাসী ৰাজন্যবৰ্গহি সদায় ৰাজদণ্ড ধাৰণ কৰি সগৌৰৱে ৰাজ্য পৰিচালনা কৰি আছিল। ৰাজদণ্ড আৰু শাসনকাৰ্য্য, সদায় স্থানীয় অধিবাসী ৰজাসকলৰ হাততেই আছিল আৰু বিভিন্ন ৰজাৰ প্ৰভাৱ প্ৰতিপত্তি আৰু শক্তি অনুযায়ী ৰাজ্যৰ পৰিসৰ বৰ্দ্ধিত আৰু বিস্তৃত হৈছিল। কিছুমানৰ ভুল ধাৰণা এই যে, অসমৰ ব্ৰহ্মপাল, ৰত্নপাল আদি ৰজাসকলৰ পালবংশীয় ৰজা আছিল। কিন্তু প্ৰকৃততে তেওঁলোক পালবংশীয় ৰজা নাছিল বুলি অনুমিত হয়। আচলতে তেওঁলোক ইণ্ডো-মঙ্গোলীয়ান নৰকৰ বংশ সম্ভুত বুলিহে প্ৰতীত হয়।

খ্ৰীষ্টীয় ১২৬১ খ্ৰীষ্টাব্দত তুৰ্ক কৰ্ত্তৃক বঙ্গ-বিজয়ৰ কথা উল্লেখ আছে। সেই সময়ত কামৰূপ ৰাজ্য কোচ, মেচ আৰু থাৰুসকলৰ দ্বাৰা অধ্যুষিত আছিল । ত্ৰয়োদশ শতাব্দীত তুৰ্কসকলে কামৰূপ আক্ৰমণ কৰিছিল,আৰু তৎকালীন কামৰূপীয় ৰজাৰ দ্বাৰা তুৰ্কসকল পৰাজিত হৈ ধ্বংসপ্ৰাপ্ত হৈছিল। তেতিয়াৰ পৰা আহোম ৰাজত্বৰ সময়লৈকে মোগল সকলে বহু বাৰ অসম আক্ৰমণ কৰিছিল আৰু প্ৰত্যেক বাৰেই অসম ৰজা আৰু সৈন্য সকলৰ দ্বাৰা পৰাজিত হৈছিল। ফলত তেওঁলোকে অসম জয় কৰাৰ সংকল্প ত্যাগ কৰিবলৈ বাধ্য হৈছিল ।

বন্ধুসকল, আজি যি ঠাইত আপোনালোকে সমবেত হৈছে, এই ঠাই প্ৰাচীন কামৰূপ ৰাজ্যৰ এটা প্ৰধান আৰু অবিচ্ছেদ্য অংশ আৰু অসম গৌৰৱ কোচ ৰজাসকলৰ আদি পীঠস্থানৰ অন্তৰ্ভুক্ত । এই ধুবুৰী মহকুমাই আছিল- কোচ ৰজাসকলৰ আদি পুৰুষ ডাম্বাম্ব মেচ, হাওৰীয়া মেচৰ বংশ-সম্ভুত মহাৰাজ বিশ্বসিংহৰ আদিম ৰাজ্য-যাৰ সীমা আছিল,-





পূৰ্ব্বত মানাহ সোণকোষ পশ্চিমত ।
উত্তৰে ধৱলগিৰি দক্ষিণে লৌহিত্য ।।

এই ধুবুৰী মহকুমাৰ উত্তৰ অঞ্চলত-হিমালয়ৰ পাদদেশত, চিকনা নামক অতীৱ ৰমণীয় ঠাইত এই কোচ ৰজাৰ আদি পুৰুষসকলৰ বাসস্থান আছিল । সেই সময়ত গুৱালপাৰা জিলাৰ উত্তৰ অঞ্চলৰ মেচ (বড়ে) সকলে ধনে-ধান্যে, শক্তি-সামৰ্থে আৰু ঐশ্বৰ্য্য-বিভৱে অতি চহকী আছিল। এই ঠাইৰ জাওলীয়া বীৰ আৰু গাম্বাৰী ছিক্লাৰ (বীৰাঙ্গনাৰ) মধুময় কাহিনী এতিয়াও বড়োসকলৰ মাজত শুনিবলৈ পোৱা যায় ।

কোচ ৰাজ-কুল তিলক মহাৰাজ বিশ্বসিংহ, নৰনাৰায়ণ আৰু চিলাৰায়ৰ গৌৰৱময় ৰাজত্বৰ কথা আৰু তেওঁলোকৰ শক্তি-সামৰ্থ্য আৰু ৰাজ্য জয়ৰ কথা আজি বহলাই কবৰ আৰু সকাম নাই। এই কোচ ৰজাসকলৰ আশ্ৰয়, সৌজন্য আৰু পৃষ্ঠপোষকতাৰ বলতে আমাৰ অসমৰ অৱতাৰ, যুগপ্ৰৱৰ্ত্তক গুৰু শঙ্কৰ-মাধৱৰ পৱিত্ৰ ভাগৱতী ধৰ্ম-প্ৰচাৰ সম্ভৱপৰ হৈছিল।

প্ৰকৃতিৰ লীলাভূমি স্বৰ্গাদপি গৰীয়সী অসমা-কামৰূপা অসমী আইৰ অতীত অতীৱ গৰিমাময় । প্ৰাকৃতিক সৌন্দৰ্য্য আৰু ৰত্ন সম্পদত আৰু ঐতিহ্যত ইয়াৰ তুলনা নাই। যুগে যুগে ব্ৰহ্মপুত্ৰ লৌহিত্যৰ পুত বাৰিধাৰা বিধৌত পৱিত্ৰ বিশাল তটভূমি অপূৰ্ব্ব কৃষ্টি সভ্যতাৰ পুণ্য আলোক উদ্ভাসিত হৈ আছিল। আজিও লৌহিত্যৰ তটভূমিস্থিত শৈলশৃঙ্গৰ স্তৰে স্তৰে শৈল গাত্ৰত খোদিত- কাৰু কাৰ্য্য শোভিত অগণিত মুৰ্ত্তিৰ ভগ্নাৱশেষসমূহ অতীজৰ গৌৰৱময় স্মৃতি বুকুত লৈ ব্যক্ত হ'বলৈ ৰৈ আছে। অসমৰ পৰ্ব্বত-ভৈয়ামৰ হাবি-বননিত ভগ্নস্তুপৰ অন্তৰালত যি ঐতিহাসিক তথ্য নিহিত হৈ আছে, আজি আমাৰ প্ৰত্নতত্ত্ববিদ ঐতিহাসিক সকলে পূৰ্ণ গৱেষণাৰ দ্বাৰা সেইবোৰ তথ্য উদঘাটন কৰি ব্যক্ত কৰিবলৈ চেষ্টা নকৰিলে এইবোৰ লাহে লাহে বিস্মৃতিৰ অতল গৰ্ভত বিলীন হৈ অস্তিত্ব লোপ পাই

যাব। সেই কাৰণে অনতিপলমে আমাৰ অসম সাহিত্য সভাৰ তত্বাৱধানত এটা গৱেষণা (research) পৰিষদ গঠন কৰি এই তথ্যবিলাক উদ্ধাৰ কৰাৰ কাৰণে এটা প্ৰচেষ্ঠা চলোৱা একান্ত আৱশ্যক ।প্ৰথমে কপিলি আৰু মিকিৰ-উত্তৰ কাছাৰ পাহাৰৰ মধ্যবৰ্ত্তী ডবকা পাহাৰেৰে সৈতে বিৰাট অঞ্চলৰ পৰ্ব্বত-বননিৰ মাজত দৰং জিলাৰ দহপৰ্ব্বতীয়া, বামুণীপাহাৰ ইত্যাদি ঠাইত, গুৱালপাৰা জিলাৰ শ্ৰীসূৰ্য্য পঞ্চৰত্ন পাহাৰত আৰু ডিমাপুৰ কাছোমাৰী পথাৰ অঞ্চলত যি বিলাক প্ৰাচীন ভগ্নাৱশে সিচঁৰিত হৈ আছে সেই ভগ্নাৱশেষবোৰৰ ফটোৰে সৈতে এটা বিস্তৃত বিৱৰণ অসমীয়া ভাষাত লেখি প্ৰকাশ কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰা একান্ত প্ৰয়োজন বুলি মই ভাবোঁ ।

বন বিভাগৰ মন্ত্ৰী হিচাপে অসমৰ পৰ্ব্বত-ভৈয়ামৰ বননিৰ মাজে মাজে ভ্ৰমণ কৰিবৰ সুবিধা মই পাইছিলো ।ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে পৰ্ব্বত মালাৰ পাদদেশৰ বিস্তৃত বননিৰ মাজে মাজে প্ৰায় সকলো ঠাইতে অগণিত শিৱ লিঙ্গ, গণেশৰ মূৰ্ত্তি দেখিবলৈ পোৱা যায়। কিছুমান ঠাইত দুৰ্গতিনাশিনী দশভূজা দুৰ্গাৰ প্ৰস্তৰ মূৰ্ত্তিও অবিকৃত অৱস্থাত দেখা যায়। এইবোৰ শিলৰ দূৰ্গা মূৰ্ত্তিৰ দ্বাৰা এয়েই প্ৰমাণিত হয় যে বহু শ শ বছৰ আগতে প্ৰাচীন কামৰূপ ৰাজ্যত দুৰ্গা আদি শক্তি- পূজাৰ প্ৰচলণ আছিল আৰু কেঁচাখাঁইতী, কামাখ্যা, আই কালিকা আৰু ৰণ-চণ্ডীৰ পূজা-অৰ্চনা বহু যুগ-যুগান্তৰৰ পৰা চলি আছিল ।অসমৰ প্ৰাচীন ইণ্ডো-মঙ্গোলীয়ান বংশ সম্ভুত ৰাজন্যবৰ্গই দেৱাদিদেৱ মহাদেৱ-শিৱ পূজাৰ লগে লগে শক্তিৰ পূজা-অৰ্চ্চনাও কৰিছিল ।কাছাৰ জিলাত কছাৰী ৰজাৰ শেষ ৰাজধানী খাছপুৰত- ইষ্টক নিৰ্ম্মিত বহু ৰণ-চণ্ডীৰ মন্দিৰ এতিয়াও অবিকৃত অৱস্থাত দেখিবলৈ পোৱা যায় । কেঁচাইখাঁইতী (তাম্ৰেশ্বৰীত আৰু কামাখ্যাৰ মন্দিৰতো যুগ যুগ কালৰ পৰা মাতৃ শক্তিৰ অৰ্চ্চনা হৈ আহিছে। বড়ো সকলৰ শ্ৰেষ্ঠ জাতীয় উৎসব খেৰাইত ৰণ-চণ্ডী পূজা-অৰ্চনা কৰা হয় আৰু মাতৃ শক্তিয়ে দেওধাইৰ যোগেদি বড়ো সন্তানসকলক এইবুলি সম্বোধন কৰে,- "শুনা মোৰ প্ৰিয় বড়ো সন্তানসকল,





মোৰ বাণী শুনা । তোমালোকে ভয় কৰিব নেলাগে । মই তোমালোকক ৰক্ষা কৰিম; কিন্তু সাৰমেয়ৰ (কুকুৰ) নিচিনা গাহৰিৰ নিচিনা ব্যৱহাৰ কৰিলে বা অধৰ্ম্ম অন্যায় কৰিলে এই ব্যঘ্ৰ বা সিংহ লগাই তোমালোকক শাস্তি দি ধ্বংস কৰিম ।" ইয়াৰ পৰাই বুজা যায় সিংহ বা ব্যঘ্ৰ কাহিনী দুৰ্গতিনাশিনী জগৎজননী জগদ্ধাত্ৰী বা দুৰ্গাৰ মাতৃ শক্তিৰ অপূৰ্ব্ব ধাৰণা বড়োসকলৰ মাজত মজ্জাগত হৈ আছে। মোৰ দৃঢ় প্ৰতীতি হয়, এই প্ৰাচীন কামৰূপ ৰাজ্যতেই মাতৃ-শক্তিৰ পৰিকল্পনা আৰু পূজা অৰ্চ্চনাৰ প্ৰথম সূচনা হৈছিল।

ধৰ্ম্মৰ ফালৰপৰা অসমত ইণ্ডো-এৰিয়ান আৰু ইণ্ডো-মঙ্গোলীয়ানসকলৰ মাজত যি সংমিশ্ৰণৰ চানেকি পোৱা যায়- ভাষা আৰু আন আন সংস্কৃতিৰ ফালৰপৰাও ঠিক সেই সংমিশ্ৰণৰ পূৰ্ণ প্ৰমান পোৱা যায় ।এই দুয়ো সভ্যতাৰ সংমিশ্ৰণৰ ফলত ধৰ্ম্ম, কৃষ্টি আৰু ভাষাৰ সমন্বয়ত অসমত এক অপূৰ্ব্ব কৃষ্টি সভ্যতাৰ সৃষ্টি হৈছিল ।এয়ে অসমীয়া কৃষ্টি সভ্যতাৰ বৈশিষ্ট্য ।এই বৈশিষ্ট্যৰ ৰূপ লৈ আজি অসমীয়া ভাষা আৰু সমাজ গঢ়ি উঠিছে ।এই সত্যৰ ওপৰত ভিত্তি কৰি আমাৰ অসমীয়া সমাজ কৃষ্টি আৰু ভাষাৰ বৈশিষ্ট্য ৰক্ষা কৰিবৰ কাৰনে আমাৰ মাজত একতা আৰু সংঘবদ্ধতাৰ ভাব জগাই তুলিবলৈ এটা প্ৰবল প্ৰচেষ্টাৰ একান্ত আৱশ্যক ।পৰ্বত-ভৈয়ামৰ আমাৰ দাঁতি-কাষৰীয়া অসমৰ তথাকথিত জনজাতীয় ভাই-ভনীসকলৰ লগত সকলো বিষয়তে মিলা-প্ৰীতি আৰু সৌহাৰ্দ্দ্যৰ ভাৱ স্থাপন কৰি ঐক্যবদ্ধ হৈ সকলোৰে প্ৰাণত দেশাত্ম বোধ জগাই তুলিব লাগিব। আমাৰ মহত্ব আৰু উচ্চ আদৰ্শৰ দ্বাৰা-আমাৰ ব্যৱহাৰ, আচৰণ আৰু ভাব ধাৰাৰ দ্বাৰা, আমি আমাৰ পৰ্বত-ভৈয়ামৰ তথাকথিত জনজাতীয় ভাই-ভনীসকলৰ হৃদয় জয় কৰি অসম সাহিত্য সভাৰ জৰিয়তে তেওঁলোকৰ ভাষা, কৃষ্টি, ঐতিহ্য আদি গৱেষণা কৰি অসম সাহিত্য সভাৰ জৰিয়তে তেওঁলোকৰ ভাষা, কৃষ্টি, ঐতিহ্য, আদি গৱেষণা কৰি ব্যক্ত কৰিবলৈ প্ৰচেষ্টা চলাব লাগিব। অলপতে পৰ্ব্বতৰ খাছি, নগা আদি কেইটামান জনজাতীৰ চমু বিৱৰণ অসম

সাহিত্য সভাৰ প্ৰচেষ্টাত লিখিত হোৱা দেখি মই বৰ সন্তোষ পাইছো । আৰু তাৰ কাৰণে সাহিত্য সভাৰ কৰ্ম্ম কৰ্ত্তাসকলক অশেষ ধন্যবাদ জনাইছোঁ। ভৈয়ামৰ জনজাতি সম্বন্ধেও ঠিক সেইদৰে প্ৰামাণ্যৰে সৈতে এটা বিস্তৃত বিৱৰণ লিখি প্ৰকাশ কৰিবৰ কাৰণে মই আজি অসম সাহিত্য সভাৰ সভ্য সকললৈ সানুনয়ে অনুৰোধ জনাইছো ।

ভাৰত স্বাধীন হোৱাৰ পিছত অসম তথা ইতিহাস নতুনকৈ লিখিত হোৱা উচিত। আজি আমাৰ জাতীয় ইতিহাসত অকল ৰাজ্য জয়, যুদ্ধ আৰু শাসনৰ কথা উল্লেখ যথেষ্ট নহয় । তাত দেশৰ জাতিৰ সমসাময়িক সকলো ঘটনাৰ বিৱৰণ লিপিবদ্ধ হোৱা উচিত ।

ভৌগলিক, ঐতিহাসিক, সাংস্কৃতিক সকলো বিষয়তে জনজাতীয় ভাই ভনীসকল আমাৰ অসম দেশ আৰু অসমীয়া জাতিৰ লগত ওতঃপ্ৰোতভাৱে সম্পৰ্কিত আৰু অবিচ্ছেদ্যভাৱে জড়িত । অসমৰ জনজাতীয় কৃষ্টি সংস্কৃতি আমাৰ অসমৰ তথা ভাৰতৰে কৃষ্টি সংস্কৃতি। আমাৰ অসমীয়া অৱদান ভাষাতত্ত্ববিদসকলে বিশেষকৈ জানে । বহুত জনজাতীয় শব্দ অসমীয়া ভাষাত সোমায় আছে । অসমৰ জনজাতীয় বিভিন্ন ভাষাৰ পৰিবেশত গঢ়ি উঠাৰ কাৰণে জনজাতীয় ভাইসকলে অতি কম আয়াসতে অসমীয়া ভাষা আয়ত্ত কৰিব পাৰে। অশমীয়া ভাষাৰ ওপৰত কাৰ কিমান প্ৰভাৱ পৰিছে এই সম্বন্ধে তুলনামূলক গৱেষণা কৰি প্ৰকাশ কৰিব পাৰিলে অত্যুৎকৃষ্ট হব বুলি মই ভাবো । আশা কৰোঁ সাহিত্যিক আৰু ভাষাৱিদিসকলে এই বিষয়টোত অলপ গুৰুত্ব দিব।

অসমৰ ভৱিষ্যৎ বৰ উজ্জ্বল বুলিয়েই মোৰ অনুমান হয় । কিয়নো, স্বাধীনতা লাভ কৰাৰ পাছত, স্বাধীন ভাৰতৰ সীমান্ত ৰাজ্য হিচাবে-আৰু ইয়াত মানৱ সভ্যতাৰ উৎকৰ্ষ সাধনৰ উপাদান যোগাবলৈ প্ৰাকৃতিক সম্পদৰ অফুৰন্ত আকৰ বা ভাণ্ডাৰ থকাৰ কাৰণে অসমে অতীজতে যেনেকৈ সকলো বিষয়ত চৰম উযকৰ্ষ সাধন কৰিছিল- আজিও তেনে উৎকৰ্ষ সাধন কৰি





নৱ-ভাৰতত অতুলনীয় স্থান অধিকাৰ কৰিবৰ যথেষ্ট সম্ভাৱনা ৰৈ আছে । মাত্ৰ আজি আমাৰ মাজত জাতি, ধৰ্ম্ম সম্প্ৰদায়, দল আৰু স্থান নিৰ্বিশেষে পৰিৱৰ্ত্তিত মনোভাৱ লৈ সংঘবদ্ধ হৈ সকলো ক্ষেত্ৰতে যুক্তভাৱে কাম কৰিবৰ প্ৰেৰণা জগাই তুলিব লাগিব। আমাৰ পূণ্য ভূমি ভাৰত অতি বিৰাট আৰু বৈচিত্ৰ পূৰ্ণ দেশ । বিভিন্ন প্ৰাকৃতিক পৰিবেষ্টনীৰ মাজত ইয়াত ছয়ত্ৰিশ কোটি নৰ-নাৰীয়ে বিভিন্ন ধৰ্ম্ম, ভাষা, সংস্কৃতি লৈ বসবাস কৰি আছে। আমাৰ এই দেশ সঁচাকৈ অতি বৈচিত্ৰ্যময় দেশ। কিন্তু এই বৈচিত্ৰ্য আৰু বৈষম্যৰ আৰু মাজতো আমি একতা আৰু মিলনৰ ভাব ৰক্ষা কৰিবই লাগিব। এয়ে ভাৰতৰ আদৰ্শ । ভাৰত যেনে বৈচিত্ৰ্যময় দেশ । কিন্তু এই বৈচিত্ৰ্য আৰু বৈষম্যৰ মাজতো আমি একতা আৰু মিলনৰ ভাব ৰক্ষা কৰিবই লাগিব । এয়ে ভাৰতৰ আদৰ্শ । ভাৰত যেনে বৈচিত্ৰ্যময়-আমাৰ অসম ৰাজ্যও তেনে বৈচিত্ৰ্যময়- যেন সমগ্ৰ ভাৰতৰ বৈচিত্ৰ্য ৰাজি আমাৰ অসমতেই কেন্দ্ৰীভুত হৈ আছে। অসমৰ পৰ্ব্বত-ভৈয়ামত, কৃষ্টিগত, ধৰ্ম্মগত ভাষাগত কিছু বৈষম্য থাকিলেও আজি আমি অসমদেশৰ আৰু অসমীয়া জাতিৰ মানুহ হিচাপে একতাবদ্ধ হৈ একমন একপ্ৰাণ লৈ কাম কৰি যোৱাৰ ঐকান্তিক অনুভূতি আৰু প্ৰেৰণা জগাই তুলিব লাগিব।

নানা জাতি, নানা ভাষা
নানা পৰিধান ।
বিবিধেৰ মাঝে দেখ
মিলন মহান ।।

কৰিব এই অমৰ বাণীৰ দ্বাৰা উদ্দুদ্ধ হৈ আজি আমি আমাৰ মাজত সকলো ক্ষেত্ৰত এই মহা মিলনৰ ভাব ৰক্ষা কৰি চলিবৰ কাৰণে যুক্তভাৱে প্ৰচেষ্টা চলাব লাগিব। তেহে আমি সকলো মঙ্গল প্ৰচেষ্টাত জয় যুক্ত হবলৈ সমৰ্থ হম ।

শ্ৰদ্ধেয় সুধীবৃন্দ, মোৰ আজিৰ অভিভাষণ শেষ প্ৰায় । মই

ইতিপূৰ্বেই উনুকিয়াই আহিছো- মই সাহিত্যিকো নহও আৰু ঐতিহাসিকো নহও । মই মোৰ, অভিভাষণত যিখিনি কথা, ব্যক্ত কৰিবলৈ চেষ্টা কৰিছো তাত যদি মোৰ কিবা ত্ৰুটি, দোষ বা অপৰাধ পৰিলক্ষিত হয়, সুধীসকলে নিজ গুণে ক্ষমা কৰিব বুলি আশা ৰাখিলো।

শেহত, আপোনালোকে মোক সভাপতিৰ গুৰু ভাৰদি সন্মানিত কৰাৰ বাবে মই আপোনালোকৰক সকলোকে আকৌ কৃতজ্ঞাৰে সৈতে মোৰ আন্তৰিক ধন্যবাদ জনাইছো । অসম সাহিত্য সভাৰ সকলো মঙ্গল-প্ৰচেষ্টা জয়যুক্ত হওক, আৰু অসম সাহিত্য সভাৰ কৰ্ম্ম তৎপৰতা আৰু সৌজন্যত অসমীয়া ভাষা, কৃষ্টি আৰু ঐহিহ্যৰ বৈশিষ্ট্য সুসংৰক্ষিত হওক ।এয়ে মোৰ ঐকান্তিক কামনা ।

জয় হিন্দ ।





# বড়োজাতিৰ সংক্ষিপ্ত পৰিচয়

*"মরেনা মরেনা কভু সত্য*
*যাহা চির শতাব্দীর*
*বিস্মৃতির তলে।*
*নাহি মরে উপেক্ষায় অপমানে*
*না হয় অস্থির*
*আঘাতে না টলে।*

*-রবীন্দ্রনাথ*

## ভূমিকা

বৰ্ত্তমানে অতীতৰ বিৰাট বিপুল বড়োকচাৰি জাতি সম্বন্ধে নানাপ্ৰকৰ ধাৰণা মনত পোষণ কৰি বহুতক বহুৰকমৰ মন্তব্য প্ৰকাশ কৰিবলৈ আৰম্ভ কৰা দেখা গৈছে। এই কাৰণে এই জাতিৰ এটা সংক্ষি প্ত বিবৰণ লিপিবদ্ধ কৰি প্ৰকাশ কৰা বৰ দৰকাৰ হৈছে বুলি ভাবি এই ক্ষুদ্ৰ পুস্তিকাত কিছুমান কথা লিখি ঐতিহাসিক সুধীবৰ্গৰ বিশেষকৈ এই বড়োজাতীয় উঠি অহা শিক্ষিত যুবকসমলৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

অনুসন্ধিৎসু পাঠকসকলৰ অৱগতৰ কাৰণে পৰিশিষ্টত এই বড়োকচাৰি জাতি সম্বন্ধে কেইজনমান প্ৰখ্যাত তত্তজ্ঞ ঐতিহাসিক সমলৰ মতামত উদ্ধৃত কৰি দিয়া হৈছে।

দৰং আৰু কাছাৰ জিলাত মোৰ ভ্ৰমণৰ সময়ত এই জাতীয় মানুহ আৰু তেওঁলোকৰ ঠাই সম্বন্ধে মোৰ যি ব্যক্তিগত অভিজ্ঞতা হৈছে সেইটো সকলোৰে অৱগতিৰ কাৰণে ভ্ৰমণ বৃত্তান্তৰ আকাৰে এই পুস্তি কাৰ লগতে প্ৰকাশ কৰা হল।

বৰ্ত্তমান মহাযুদ্ধৰ পৰিস্থতিত দুস্প্ৰাপ্যত্য হেতু কাগজ ৰ দাম আৰু ছপাৰ খৰচ অতিপাত বাঢ়ি যোৱাত এই পুস্তিকাৰ দাম অলপ বেচিঁকৈ ধৰি দিবলৈ বাধ্য হৈছোঁ। আগলৈ দেশৰ অৱস্থা ভাল হলে আৰু সুহৃদয় পাঠক আৰু জাতীয় ভাই ভনীসকলৰ আদৰ সহানুভূতি থাকিলে সংস্কৰণত ইয়াৰ দাম পৰ্য্যমানে কমাই দিবৰ ব্যৱস্থা কৰা যাব।

এই পুস্তিকা প্ৰকাশ কৰাত বিশেষত ঃ প্ৰুফ চো ৱাত মই মোৰ অশেষ কল্যাণভাজন শ্ৰীমান বন্ধুৰাম কচাৰি বি.এ. বোপাৰ পৰা যথেষ্ট সহায় পাইছোঁ। তাৰ সহায় আৰু অক্লান্ত চেষ্টা নহলে এই সময়ত ইমান সোনকালে এই পুস্তিকা প্ৰাকাশ কৰা সম্ভ ৱ হৈ নুঠিলহেঁতেন। এই কাৰণে মই কল্যাণীয় শ্ৰীমানক মোৰ আন্তৰিক ধন্যবাদ আৰু আশীৰ্ব্বাদ জনাইছোঁ।

শ্বিলং — শ্ৰীৰূপনাথ ব্ৰহ্ম

আষাঢ়, ১৩৮৯ সাল





# পূৰ্ব্বাভাস

ঋষি মুনিৰ কাম্যভূমি গিৰিমালা শোভিতা সৰিৎবহুলা কানন- কুন্তলা আসাম উপত্যকাৰ নাম লৌহিত্য। প্ৰাচীন লৌহিত্য নদী ব্ৰহ্মপুত্ৰ নামে পৰিচিত হৈ আসামৰ প্ৰাচীন সভ্যতাৰ স্মৃতি বুকুলৈ এতিয়াও প্ৰবাহমান। প্ৰাগঐতিহাসিক যুগত এই লৌহিত্য উপত্যকাত এটি বিশিষ্ট সভ্যতা গঢ়ি উঠিছিল। মোৰ দৃঢ় প্ৰতীতি হয় ভাৰতবৰ্ষত আৰ্য্য সভ্যতা, প্ৰতিষ্ঠা লাভ কৰাৰ পূৰ্ব্বে সিন্ধু প্ৰদেশত যি বিশিষ্ট সভ্যতা গঢ়ি উঠিছিল আমাসৰ প্ৰাচীন সভ্যতা সেই সভ্যতাৰেই এই শাখা আৰু ই প্ৰাচীন সুমেৰিয়ান সভ্যতাৰ লগত বিশেষভাবে সম্পৰ্কিত। আৰ্য্যবিলাক ইৰাণৰ পৰা আহি সিন্ধু প্ৰদেশ অধিকাৰ কৰাত তাৰ অধিবাসীবিলাকৰ লগত তেওঁ বিলাকৰ বহু যুদ্ধবিগ্ৰ হয়। নবাগত আৰ্য্যবিলাকৰ লগত কঠোৰ সংগ্ৰাম কৰি সিন্ধুদেশৰ প্ৰাচীন অধিবাসীবিলাকে লাহে লাহে পূবৰফালে অগ্ৰসৰ হৈ প্ৰথমে গঙ্গা যমুনা প্ৰদেশত বসতি স্থাপন কৰি ক্ৰমান্বয়ে আৰু পূবফালে বিস্তৃত হৈ পৰিছিল। (কাছাৰৰ ডিমাছা কচাৰ সকলৰ প্ৰবাদ বা কিম্বদন্তি মতে তেওঁলোকে পশ্চিমফালৰ ডিলাওব্ৰা, ছাংগিৱাৰ তটভূমিৰ পৰা অহা মানুহ। প্ৰবাদ মতে গঙ্গা যমুনাৰ সংগিব্ৰাৰ তটভূমিৰ পৰা অহা মনুহ প্ৰবাদ মতে গঙ্গা যমুনাৰ সঙ্গমস্থল বৰ্ত্তমান এলাহাবদ, প্ৰয়াগ, প্ৰাজীন পাটলিপুত্ৰ ইত্যাদি ঠাই এসময়ত এওঁলোকৰ মানুহেৰে অধ্যুষিত আছিল বুলি অনুমিত হয়।) এই প্ৰচীন অধিবাসীবিলাক অতি সুসভ্য আছিল। এওঁ বিলাক দ্ৰাবিড়ী, কোল, ভীল প্ৰভৃতি আদিম অধিবাসীবিলাকৰ পৰা সম্পূৰ্ণ পৃথক আছিল। এওঁবিলাকৰ শাৰীৰিক গঠন, বৰণ আৰু সভ্যতা দ্ৰাৱিড়ীবিলাকৰ পৰা একেবাৰেই বেলেগ। শাৰীৰিক গঠনত এওঁলোকৰ মাজত মঙ্গেলিয়ানবিলাকৰ বিশেষত্ববোৰ পৰিদৃষ্টি হৈছিল।

হিমালয়ৰ পাদদেশত গঙ্গা যমুনা প্ৰদেশত কেইবাশ বছৰ বাস কৰাৰ পিচত এওঁবিলাকৰ বহুতে বৌদ্ধধৰ্ম্মত দীক্ষিত হয়। বৌদ্ধধৰ্ম্মৰ প্ৰাধান্য কমি

অহাৰ পিচত ব্ৰহ্মণ্য ধৰ্ম্মহি লাহে লাহে মূৰ দাঙি উঠে। এই ব্ৰহ্মণ্যধৰ্ম্মৰ প্ৰভাৱ আৰু বৌদ্ধধৰ্ম্মৰ অৱনতিৰ প্ৰাৰম্ভত এওঁবিলাকে লাহে লাহে আৰু পুবৰফালে অগ্ৰসৰ হৈ গৈ বঙ্গদেশৰ গৌড় বৰেন্দ্ৰ ভূমি কামৰূপ অৰু লৌহিত্য ভূমিত বিস্তৃত হৈ পৰে। প্ৰত্নতাত্ত্বিক শ্ৰদ্ধেয় ৰাখাল দাস বন্দ্যোপাধ্যায় মহাশয়ে মেচ আৰু কোচবিলাককেই কাম্বেজিয়ানবিলাকৰ বংশধৰ বুলি স্থিৰ কৰিছে । বড়ো বা বৰো শব্দৰ পৰা এই বৰভূমি বা বৰেন্দ্ৰভুমি হোৱাৰ সম্ভাবনা বেচি। বহুতে এওঁলোকক বুদ্ধছা বা বড়োছা অৰ্থাৎ বুদধদেৱৰ সন্তান বুলি কয়। বিপুল বড়োজাতিৰ এটা বিশিষ্ট শাখা টিপাৰা। টিপাৰা ভাষাত 'বৰক ' শব্দৰ অৰ্থ মানুহ। এই 'বৰক' শব্দৰ পৰাও বড়ো বা বৰো শব্দৰ উৎপত্তি হোৱা স্বভাবিক। বৰ্ত্তমান সময়ৰ মেচ, কোচ, বড়ো বা কচাৰি বিলাক কচাৰিবিলাক এই বড়োছাবিলাকৰ বংশধৰ। (বড়ো ভাষাত মাহাৰি আৰু আৰি শব্দৰ অৰ্থ clan সম্প্ৰদায়। কোচ আৰি বা মাহাৰি + = কোচাৰি বা কচাৰি । কাজেই কচাৰি শব্দৰ দ্বাৰা কোচ clan বা সম্প্ৰদায়ৰ লোক বুজাইছে। মেচ বা কচাৰি বিলাক স্মৰণাতীত কালৰ পৰা আজি পৰ্য্যন্ত বড়ো বুলি পৰিচিত। কাছাৰ জিলাৰ ডিমাছা কচাৰিবিলাকৰ মাজত বড়ো এটা ছেংফং বা subclan আৰু বড়ো বংশ ৰাজবংশ। আসাম-বঙ্গৰ আৰ্য্যসভ্যতাৰ পূৰ্ব্ব সভ্যতাই যে বড়ো সভ্যতা ইয়াত কোনো সন্দেহ নাই। ই ইতিহাসানুমোদিত আৰু সৰ্ব্ববাদিসম্মত। আসামত পৌৰাণিক যুগত প্ৰাগজ্যোতিষ পুৰতেই ব্ৰাহ্মণ্য সভাতাৰ প্ৰথম উন্মেষ হয়। এই সভ্যতা আৰু বড়ো সভ্যতাৰ সংমিশ্ৰণতেই আসামত এটি বিশিষ্ট সভ্ভতা গঢ়ি উঠিছে। বড়ো সভ্যতাৰ প্ৰভাৱ আৰু বৈশিষ্ট্য অসমীয়া সমাজত আৰু ভাষাত এতিয়াও সম্পূৰ্ণভাবে ৰৈ আছে। তান্ত্ৰিক যুগত লাহে লাহে তেওঁবিলাকৰ পূৰ্ব্বধৰ্ম্মৰ বিকৃতি ঘটিবলৈ ধৰে । মধ্যযুগত তেওঁবিলাকৰ ৰাজ-পৰিয়ালসমুহৰ মাজত ব্ৰাহ্মণৰ প্ৰাধান্য বেচি হৈ উঠে। সেই সময়ত আৰ্য্য ব্ৰহ্মাণবিলাকে চিৰন্তন নিয়মানুযায়ী বড়োবংশৰ ৰাজন্যবৰ্গক আৰ্য্য নামে অভিহিত কৰি ক্ষত্ৰিয় উপাধিৰে ভুষিত কৰিছিল । এই দৰেই বড়োবিলাক ক্ষত্ৰিয় বুলি পৰিচিত হয়।

আৰ্য্যসভ্যতা প্ৰবেশ লাভ কৰাৰ পূৰ্ব্বে সমগ্ৰ বিশাল লৌহিত্য উপত্যকাত





একমাত্ৰ বড়োজাতীয় ৰাজন্যবৰ্গৰ বিস্তৃত হৈছিল। ঘটোৎকচ, ভগদত্ত, বাণৰজা, ভাস্কৰৰৰ্ম্মণ আৰু তেওঁবিলাকৰ বংশধৰ সকলোৱেই বৰ্ত্তমান কালৰ বড়ো নামে পৰিচিত কচাৰি বা মেচ বা কোচবিলাকৰ পূৰ্ব্বপূৰুষ । আসামৰ উত্তৰ ভাগত যিবিলাক উপনদী হিমালয়ৰ শৈলৰাজিৰ পৰা বহিৰ্গত হৈ ব্ৰহ্মপুত্ৰ নদীত পৰিছে সিবিলাকৰ প্ৰধান কেইখন হৈছে ডিহিং, সোৱনশিৰি, (সোণাশিৰ বা সোণাশ্ৰী), ডিক্ৰুং, গাভ্ৰু, বেলশ্ৰী, ধনশিৰি (ধনশ্ৰী), মানস, আই, সাম্ফ্ৰৱ (চম্পামতী), তাৰং, গৌৰাং (সৰমাং, সামুখা, গৌৰাং), হেল, সংকস (সোণকোষ) এই বিলাক নদীৰ নামৰ পৰা পৰিস্কাৰ কৈ বুজা যায় যে এসময়ত এই গোটেই বোৰ ঠাইতে বড়োজাতীয় লোকৰ পূৰ্ণ প্ৰধান্য আৰু অস্তিত্ব আছিল। উপৰোক্ত উপনদীসমূহৰ তীৰবৰ্ত্তী বহু ঠাই জুৰি এই জাতীয় লক্ষ লক্ষ লোক এতিয়াও নিজৰ ভাষা আৰু কৃষ্টি ৰক্ষা কৰি আছে। এই বড়োজাতীয় ৰাজন্যবৰ্গই আসামত আৰ্য্যসভ্যতা অৰু ব্ৰহ্মণ্য ধৰ্ম্মৰ সৰ্ব্বপ্ৰথম বিকাশ লাভ কৰোৱায় আৰু ৰাজ- পৰিয়ালসমূহে এই ধৰ্ম্মক পুৰ্ণ প্ৰশ্ৰয়দিয়ে। এই বড়োজাতীয় সভ্যতা আৰু আৰ্য্যসভ্যতাৰ এই ধৰ্ম্মকপূৰ্ণ প্ৰশ্ৰয় দিয়ে। এই বড়োজাতীয় সভ্যতা আৰু আৰ্য্যসভ্যতাৰ সংমিশ্ৰণতেই ব্ৰহ্মপুত্ৰ উপত্যকাত এটি বিশিষ্ট সভ্যতা গঢ়ি উঠে। (ডি বা দৈ শব্দৰ দ্বাৰা বড়োভাষাত পানী বা নদী বুজায়। ডিহং মানে যি নদীকোনো বাধা না মানি অপ্ৰতিহত গতিৰে প্ৰবাহিত হয়। ব্ৰহ্মপুত্ৰক বড়োবিলাকে বুল্লুংবুথুৰও বোলে। বুল্লুংবুথুৰ মানে যি নদী হঠাৎ ডাঙ্গৰ হৈ বিপুলভাবে প্লাবিত আৰু স্ফীত হৈ দেশ উটুৱাই হৈ যায়। ক্ৰমান্বয়ে আৰ্য্যসভ্যতা বিস্তৃতি লাভ কৰাৰ লগে লগে নদী, উপনদী অৰু স্থান সমূহৰ নামও পৰিবৰ্ত্তিত হৈ আৰ্য্য, সংস্কৃত আৰু প্ৰাকৃত নামেৰে অভিহিত হল। সোণাশ্ৰী, ধনশ্ৰী, বেলশ্ৰী, ৰুপাশ্ৰী, ৰথমালী আৰু সৰমালীৰ নাম বড়োজাতিৰ পৌৰাণিক কাহনীৰ নায়িকাৰ ভূমিকাত এতিয়াও শুনিবলৈ পোৱা যায়। এই জাতীয় তিৰোতাবিলাকৰ বত্তমান সাধাৰণ নামও সেই বিলাকেই। সোণশ্ৰী বেলশ্ৰী, ধনশ্ৰী, ৰথমালী, সৰমালী, পোণাতি, ৰূপাতি, গয়তি, মৈনাতি, গংয়াতি ইত্যাদিয়েই এওঁলোকৰ তিৰোতাবিলাকৰ সাধাৰণ নাম।

বড়োজাতিৰেই এটা বিশিষ্ট শাখাই আসামৰ পূৰ্ব্ব প্ৰান্তত হেড়ম্ব ৰাজ্য

প্ৰতিষ্ঠা কৰে। ডিমাপুৰ নগৰৰ ভগ্নাৱশেষ এতিয়াও বড়োকচাৰি শিল্প নৈপুণ্যৰ নিদৰ্শন স্বৰূপে বৰ্ত্তমান। প্ৰত্নতাত্ত্বিক সকলে এই নগৰৰ নিৰ্ম্মণ প্ৰণালী আৰু স্তম্ভ গাত্ৰৰ কাৰুকাৰ্য্য দেখি প্ৰাচীন এচিৰিয়ান আৰু সুমেৰিয়ান নগৰসমূহৰ ভগ্নাৱশেষৰ লগত ইয়াৰ অনেক সাদৃশ্য আছে বুলি স্থিৰ কৰিছে। বড়োকচাৰি ৰজাসকলে কেইবা শ বছৰ ধৰি এই ঠাইত ৰাজত্ব কৰিছিল। পূৰ্ব্বদেশাগত দুৰ্দ্ধৰ্ষ আহোমবিলাকৰ লগত বহুকাল যুদ্ধ-বিগ্ৰহ কৰাৰ পিচত এই সুৰমা ইষ্টকনিৰ্ম্মিত কাৰুকাৰ্য্য - শোভিত ডিমাপুৰ নগৰ শত্ৰুৰ দ্বাৰা বিধ্বস্ত হয়। সেই সময়ত আহোমবিলাকে ইটাৰ ব্যৱহাৰ নেজানিছিল। ডিমাপুৰৰ পিচত মাইবং আৰু খাচপুৰত ৰাজধানী স্থানান্তৰিত কৰা হয়। এই দুই ঠাইতে এতিয়াও ভগ্নাৱশেষ পৰিলক্ষিত হয়।

হৈড়ম্ব, কোচবিহাৰ আৰু ত্ৰিপুৰাৰ ৰাজবংশ আদিও যে বিশুদ্ধ বড়োবংশীয় ই তত্ত্বজ্ঞ সুধীবৰ্গৰ অবিদিত নহয়। প্ৰবাদমতে ব্ৰহ্মপুত্ৰ উপত্যকাৰ এটি বড়ো ৰাজপৰিয়ালৰ বড়ো ৰাজ - ভ্ৰাতাৰ দ্বাৰাই ত্ৰিপুৰাৰ ৰাজ্য প্ৰথমে প্ৰতিষ্ঠিত হয়। কোচৰাজ্যৰ ৰাজবংশ, ত্ৰিপুৰাৰ ৰাজবংশ আৰু হৈড়ম্ব ৰাজ্যৰ ৰাজবংশ লাহে লাহে ব্ৰহ্মণ্যধৰ্ম্মত দীক্ষিত হৈ ব্ৰহ্মণসকলক সম্পূৰ্ণভাৱে প্ৰশ্ৰয় দিছিল। ৰাজবংশৰ লগে লগে জনসাধাৰণৰ মাজতো লাহে লাহে ব্ৰাহ্মণ্যধৰ্ম্মৰ প্ৰভাৱ বিস্তৃত হৈ পৰে। এইভাৱেই বড়োজাতীয় বহুত মানুহ ক্ৰমান্বয়ে হিন্দুধৰ্ম্মত দীক্ষিত হৈছিল। নিজৰ প্ৰাচীন ধৰ্ম্মশাসনৰ ভয়ত নিজৰ জাতীয় বিশেষত্ব ত্যাগ কৰি যি সকল বিশিষ্ট জাতীয় লোকে হিন্দুধৰ্ম্ম গ্ৰহণ কৰিবলৈ অস্বীকৃত আৰু অনিচ্ছুক হৈছিল হিন্দুসকলে তেওঁবিলাকক ভিন্ন আৰু ভিন্ন ভিন্ন ধৰ্ম্মাবলম্বী বুলি আখ্যা দিছিল। এই দৰেই হিন্দুসগলে অতি সুসভ্য গ্ৰীক আৰু ইংৰাজবিলাককো যৱন বা ম্লেচ্ছ আখ্যা দিয়ে। কিন্তু বিধৰ্ম্মী আৰু ভিন্ন ভাষাভাষী বুলিয়েই যি আখ্যা প্ৰাপ্ত হৈ সেই নামেই অভিহিত হবই কোনোৰকমেই যুক্তিসঙ্গত আৰু সম্ভৱপৰ নহয়। হিমালয়ৰ পাদদেশৰ নেপালৰাজ্যত স্মৰণাতীত কালৰ পৰাই বড়োজাতীয় মানুহ আজি পৰ্য্যন্ত বাস কৰি আছে। তাত 'মেচি' নামে এখন নদী এতিয়াও প্ৰবাহমান। অতি প্ৰাচীন কালৰ পৰাই এই নদীৰ উভয়





তীৰদেশ বড়োজাতীয় মানুহৰ দ্বাৰা অধ্যুষিত । 'মেচি' নদীৰ তটবাসী বুলি নেপালীবিলাকে বড়োবিলাকক মেচে' নামে অভিহিত কৰে। এই মেচে' শব্দৰ পৰাই মেচ শব্দৰ উৎপত্তি হয়। পূৰ্ব্ববঙ্গ আৰু পশ্চিম আসামৰ বড়োবিলাক ভিন্ন জাতীয় মানুহৰ ওচৰত এই ভাবেই মেচ নামে অভিহিত হৈ আহিছে। তেওঁবিলাকে কোনো যুগতে বা কোনো স্থানতে নিজৰ মাজত মেচ বুলি পৰিচিত হোৱা নাই। তেওঁবিলাক আসামৰ প্ৰাচীন ৰাজবংশধৰ। সমগ্ৰ আসাম আৰু পূৰ্ব্ববঙ্গব্যাপী বড়োজাতীয় মানুহে এতিয়াও নিজৰ পুৰ্ণ অস্তিত্ব লৈ বৰ্ত্তমান । এই জাতি এটি বিশিষ্ট সভ্যতাসম্পন্ন অতি শুদ্ধ জাতি। বড়োবিলাক শিল্প আৰু কৃষিজীবী আৰু উপত্যকা আৰু সমতলবাসী।

ভৰতবৰ্ষৰ উত্তৰ-পূব প্ৰান্তত আৰ্য্যসভ্যতাৰ পূৰ্ব্বে ভাৰতৰ প্ৰাচীন সভ্যতাৰ প্ৰতিষ্ঠাতা এই বিপুল বড়োজাতিৰ প্ৰাগঐতিহাসক তত্ত্ব পৰ্য্যালোচনা কৰিবৰ সময় উপস্থিত হৈছেহি। প্ৰত্নত্ত্ববিদ্ আৰু মানৱতত্ত্ববিদসকলৰ দৃষ্টি আকৰ্ষণ কৰিবৰ কাৰণে মই এই ক্ষুদ্ৰ পুথিত এই জাতিৰ আকৃতি প্ৰকৃতি, ৰীতি-নীতি, ধৰ্ম্ম আৰু ভাষা সম্বন্ধে অতি সংক্ষেপে কেইটি মান কথা লিখিবলৈ সাহ কৰিছো।

*শ্ৰীৰূপনাথ ব্ৰহ্ম।*

# বড়োজাতিৰ সংক্ষিপ্ত পৰিচয়

## দৈহিক বৰ্ণ -

পাশ্চাত্য মানৱতত্ত্ববিদ্‌সকলে বড়ো জাতিক এচিয়াৰ (Asiatic Xanthoderm) পীতজাতিৰ অন্তৰ্ভূক্ত কৰিছে। এওঁলোকৰ মাজত একেবাৰেই ক'লা বৰণৰ মানুহ দেখিবলৈ পোৱা নেযায়। ইউৰোপবাসীবিলাকৰ নিচিনা শ্বেতাঙ্গী মানুহও দেখা নেযায়। চীনবাসী মঙ্গোলিয়ান বিলাকৰ নিচিনা পীতবৰণও এওঁলোকৰ শৰীৰৰ বৰণ নহয়। শ্বেত আৰু পীতৰ মাজামাজি বৰণেই এওঁবিলাকৰ অধিকাংশ লোকৰ শৰীৰৰ বৰণ। এওঁলোকৰ অধিকাংশ তিৰোতাই কাঞ্চনবৰণীয়া অৰু পুৰুষতকৈ অধিক সুযমাসম্পন্না। এওঁবিলাকে লোহিত আৰু কাঞ্চনবৰণকে অত্যন্ত ভাল পায়। এওঁলোকৰ পৰিধেয় বস্ত্ৰৰ অধিকাংশই ৰক্ত আৰু পীতবৰণৰ সূতাৰ সংমিশ্ৰণ কৰি প্ৰস্তুত কৰা।

## মূৰ-

পাশ্চাত্য পণ্ডিত সকলে বড়োজাতীয় কিছুমান মানুহৰ মূৰ মাপ কৰি গড়ে ৭৮.৪ চেন্টিমিটাৰ স্থিৰ কৰিছে। তত্ত্ববিদসকলৰ মতে মূৰ জোখ অনুপাতে ৭৫ চেন্টিমিটাৰৰ কম হলে dolichocephalic (দীঘল সঙ্কীৰ্ণ মূৰ), ৭৫ আৰু ৮০ ৰ মাজত থাকিলে mesocephalic (মধ্যম মূৰ। আৰু ৮০ৰ উপৰ হলে brachycephalic (বহল মূৰ) বলি ধৰা হয়। এই অনুপাতে বড়োবিলাক মজলীয়া ধৰণৰ মূৰৰ শ্ৰেণীৰ ভিতৰত পৰে।

## মুখৰ আকৃতি -

স্বভাবতে মূৰৰ আকৃতি অনুযাত্ৰী মুখৰ আকৃতি হয় । দীঘল মূৰৰ (dolichocephalic) মুখৰ গঠন দীঘল বা ঠেক আৰু বহল মূৰৰ





(brachycephalic) মুখৰ গঠন বহল হয়। মজলীয় ধৰণৰ মূৰ থক (mesocerphalic) বড়োবিলাকৰ মখাবয়ব তেনে বহল নহয় আৰু দীঘলে নহয়।

## নাক-

বড়োবিলাক প্ৰাচীন আৰ্য্যবিলাকৰ নিচিনা দৰ্ঘি আৰু উন্নত নাকৰ নহয় ই সত্য। কিন্তু এওঁবিলাক তেনে প্ৰশস্ত নাকৰো নহয়। এওঁলোকৰ ভিতৰত অনেক দীঘলনকীয়া মানুহোদেখা যায়। এক কথাত এওঁবিলাকক leptorhine ব দীঘলনকীয়া বোলা নাযায় আৰু platyrhine বা প্ৰশস্ত নাসাও কোৱা নাযায় এওঁবিলাকক mesorhine বা মধ্যম বোলা যায়।

## দেহৰ আয়তন (Stature)

পূৰ্ব্বে বড়োবিলাকৰ অধকাংশই দীৰ্ঘাঙ্গী আছিল। পাৰিপাৰ্শ্বিক অৱস্থা আৰু ঠাইৰ হাৱা পানীৰ দোষত এতিয়া এওঁলোকৰ দেহ্‌ৰ উচ্চতা আৰু দৈৰ্ঘ্য কিছু কমি গৈছে। মানৱতত্ত্ববিদ্‌সকলে মানৱদেহৰ দৈৰ্ঘ্যৰ গড় ৬৫ ইঞ্চি স্থিৰ কৰিছে। ৩৩জন বড়োৰ দেহৰ জোখ লৈ তেওঁবিলাকে বড়োজাতি মানুহৰ শৰীৰৰ গড় মাপ ৬৬ ইঞ্চি পাইছে। তত্ত্ববিদ্‌সকলৰ মতে ৬৬ ৰ পৰা ৬৭ ৩/৪" ওখই অতি দীৰ্ঘাকৃতিৰ (very tall) মানুহ বুলি পৰিগণিত হৈছে। বড়োবিলাকৰ ভিতৰত অতি দীৰ্ঘাকৃতিৰ মানুহো পোৱা যায়। খৰ্ব্বাকৃতিৰ মানুহ এওঁবিলাকৰ ভিতৰত অতি বিৰল।

## চকু-

এওঁবিলাক ঠিক চীনা মঙ্গোলিয়ান বিলাকৰ নিচিনা oblique or slant eyed নহয়। আৰ্য্যবিলাকৰ নিচিনা পদ্মপলাশলোচনো এওঁলোকৰ নহয়। এওঁলোকৰ অনেককেই চকু দেখি মঙ্গোলিয়ান বুলি ধৰা নাযায়। এওঁলোকৰ চকুৰ ক্ৰমশঃ পৰিবৰ্ত্তন হৈ গৈ আছে। দেহৰ আকৃতি প্ৰকৃতি আৰু গঠন দেখি এয়েই দৃঢ় প্ৰতীতি হয় যে মঙ্গোলিয়ান আৰু আৰ্য্যজাতিৰ সংমিশ্ৰণ তেই বৰ্ত্তমান বড়োজাতিৰ উৎপত্তি হৈছে। এওঁবিলাকক Monglo-Indo Aryans বুলিও কৰা পৰা যায়। বড়োবিলাকৰ গাত দ্ৰাবিড়ীবিলাকৰ দেহৰ বিশেষত্ববিলাক একেবাৰেই দেখা নাযায়।

**ভাষা–**

অতি প্ৰাচীন প্ৰত্নতত্ত্বৰ যুগৰ পৰাই বড়োবিলাক সংস্কৃত ভাষাভাষী বিলাকৰ সংস্পৰ্শত আহিছিল তাৰ পৰিস্কাৰ আভাস তেওঁলোকৰ ভাষাৰ পৰাও পোৱা যায়। ভাষাতত্ত্ববিদসকলে বড়োভাষাক Tibeto Barman শ্ৰেণীৰ অন্তৰ্ভূক্ত কৰিছে। Moukhemer শ্ৰেণীৰ খাচীয়া, মণিপুৰী আৰু অন্যান্য পাৰ্ব্বত্যাজাতিবিলাকৰ ভাষাৰ লগত বড়োভাষাৰ কোনো সাদৃশ্য বা নিকট সম্বন্ধ নাই। বড়োজাতিৰ লিখিত ভাষা আছিল নে নাই এতিয়াও জানিব পৰা নাই। থাকিলেও ই এতিয়া ভূগৰ্ভত নিহিত হৈ আছে। যিদিনা বড়োজাতিৰ লিখিত ভাষাৰ লুপ্তচিহ্ন আৰু ভুগৰ্ভপ্ৰোথিত ভগ্নাৱশেষ উদঘাটিত হব সিদিনা আসামৰ তথা ভাৰতৰ প্ৰাচীন ইতিহাসত এক নতুন অধ্যায় আৰম্ভ হব। মনীষী মক্ষমূলাৰে এই বড়োভ্ৰষাক প্ৰাচীন পুৰানীয় লৌহিত্য ভাষাৰ অন্তৰ্গত বুলি স্থিৰ কৰিছে। প্ৰাচীন যুগত সংস্কৃত আৰু প্ৰাকৃত ভাষা আসামত প্ৰবেশ কৰাৰ প্ৰাৰম্ভত সমগ্ৰ লৌহিত্য উপত্যকাত বড়োভাষাৰ পূৰ্ণ প্ৰাধান্য আছিল। বড়োবিলাকৰ শব্দ যোজনা আৰু শব্দ সৃষ্টি কুশলতা দেখি দৃঢ় বিশ্বাস হয় এসময়ত এই ভাষাৰ অতি উন্নত অৱস্থা আছিল। বঙালী আৰু অসমীয়া ভাষাৰ চাপত পৰি মূৰ দাঙি উঠিব নোৱাৰিলেও এতিয়াও বড়োভাষাৰ অস্তিত্ব সম্পূৰ্ণভাবে বৰ্ত্তমান। অসমীয়া ভাষাভাষীৰ অঞ্চলতকৈ বড়োভাষাভাষীৰ অঞ্চল বৰ বেচি। লক্ষীমপুৰ, শিৱসাগৰ, দৰং, নগাওঁ, কামৰূপ, গোৱালপাড়া , জলপাইগুৰি, কোচবিহাৰ, দিনাজপুৰ, বগুৰা ঢাকা ইত্যাতি সকলো অঞ্চলতেই বড়োভাষাভাষী মানুহৰ বসতি ৰৈ আছে। দুঃখৰ বিষয় বড়োজাতীয় বহু মানুহ ব্ৰহ্মণ্য ধৰ্ম্মত দীক্ষিত হোৱাৰ লগে লগে নিজৰ মাতৃভাষা পৰিত্যাগ কৰি যোৱাত এতিয়া বড়োভাষাভাষীৰ সংখ্যা অনেক কমি গৈছে আৰু এই জাতীয় মানুহৰ সংখ্যাও দিনে দিনে হ্ৰাস পাই আহিছে। পূৰ্ব্ব আৰু উত্তৰ বঙ্গৰ হিন্দু সমাজত বড়োজাতীয় অনেক লোক প্ৰচ্ছন্নভাবে লুকাই আছে। আসামতো ঠিক সেয়ে। বড়োভাষাত সংস্কৃত ভাষা আৰু অসমীয়া ভাষাত বড়োভাষা কি ৰকম স্থান অধিকাৰ কৰি আছে তাকে তলত কথঞ্চিত ভাবে দেখুৱা হল।





| সংস্কৃত | বড়ো | অসমীয়া | বড়ো |
|---|---|---|---|
| পিতা | বিফা | আলহী | আলাচী |
| মাতা | বিমা | সলনি | সলায়নাৰ |
| অহং | আং | আলি | আলি |
| স্থা | থা | বুন্দী | বুন্দি |
| জন | জা | বোন্দা | বুন্দা |
| অগ্নি | অৎ | চেৰেকি | ছড়খি |
| সূৰ্য্যঃ | সান | জাকৈ | জেখাই |
| উন ঃ | উন | চন | ছুন |
| ভ্ৰাতা ঃ | বিদা | আলাই আথানি | আলাই চিলাই |
| বাতঃ | বাৰ্ | টোকন | ঠকন |
| মৃগ | নৈ | বতৰ | বথৰ |
| দ্বাৰম্ | দৰ | উদং | উদাং |

ময়া গচ্ছ – আং জং ফৈ। 'জং' বড়োৰ তৃতীয়া বিভক্তি। সহিত শব্দৰ লগল তৃতীয়া বিভক্তিৰ প্ৰয়োগ বড়োভাষাত আছে। সম্প্ৰদান চতুৰ্থ আৰু ব্যৱচ্ছেদে সপ্তমী বিভক্তিৰ প্ৰয়োগ বড়োভাষাত আছে। কেশেযু গৃহীত্বাখানায়াও ('য়াও' সপ্তমী বিভক্তিৰ চিন) হম্নানৈ। মহ্যং দত্তবান – আং ন' (ন' চতুৰ্থী বিভক্তীৰ চিনা) হ'বায়। বড়োভাষা আৰু সংস্কৃত ভাষাৰ ভিতৰত এই ৰকম সাদৃশ্য অনেক পোৱা যায়। এই ভাষাৰ প্ৰত্যেক শব্দৰে উৎপত্তিগত অৰ্থবৰ চমৎকাৰ। যেনে– পূৰ্ব্বদিকক বড়োবিলাক 'সানজা' বোলে। 'জা' ধাতুৰ অৰ্থ বড়োভাষাত 'হোৱা'। যি দিকে 'সান' অৰ্থাৎ সূৰ্য্য প্ৰথম উদয় হয় সেই দিকটো 'সানজা'। সনাফ– সান হাফ (প্ৰৱেশ কৰা)– পশ্চিম। স্বা– উচ্চ, স্বৰ্গ হিমালয়– উত্তৰ। খলা–খল খল মন্দ মন্দ মলয় প্ৰবাহিত হয় যিফালৰ পৰা – দক্ষিণ। বিবাৰ– কুসুম, বড়োভাষাত বাৰ্ ধাতুৰ অৰ্থ প্ৰস্ফুটিত হোৱা আৰু বাৰ শব্দৰ অৰ্থ বতাহ। ফুল বতাহত ফুটে বুলি বড়োবিলাকে ফুলক বিবাৰ' বোলে। ৰুপাহক এওঁবিলাকে খুন কয়। 'দুদং' শব্দৰ অৰ্থ সূতা। খুন বা কপাহৰ পৰা যি সূতা প্ৰস্তুত হয় তাকে বড়োবিলাকে খুনদুং বোলে। বড়োসকলে পুৰুষ জননেন্দ্ৰিয়

পুংলিঙ্গক 'লুদৈ' আৰু স্ত্ৰী জননেন্দ্ৰিয়ক 'সিফা' বোলে। লু ধাতুৰ অৰ্থ To pour down বা ঢালি দিয়া আৰু দৈ শব্দৰ অৰ্থ পানী। পানী বা শ্ৰক্ৰবীজ ঢালি দিয়ে বুলি পুং জননেন্দ্ৰিয় 'লুদৈ' বোলা হৈছে (that which pours down) 'সি' ধাতুৰ অৰ্থ সিক্ত হোৱা। 'সিফা' শব্দৰ অৰ্থ যি আনৰ সংস্পৰ্শত সিক্ত হয় (that which becomes wet in touch with something) প্ৰায় প্ৰত্যেক শব্দৰেই এইৰূপ উৎপত্তিগত অৰ্থ আছে। ঘৰত বড়োবিলাকে সকলো সময়তে মাতৃভাষাত কথাবাৰ্ত্তা কৰে। বঙালী আৰু অসমীয়া ভাষাভাষী মানুহৰ সংস্পৰ্শত আহি এওঁবিলাকে বঙালী বা অসমীয়া ভাষাত অন্যৰ লগত ভাবৰ আদান প্ৰদান কৰিবলৈও শিকিছে। স্কুলত এই দুই ভাষাৰ কোনো এটা লৈ এওঁবিলাকে শিক্ষা লাভ কৰিব লাগে। কাজেই এওঁবিলাকৰ অসুবিধা অনেক। বিজাতীয় ভাষা আয়ত্ব কৰি সেই ভাষাত ভাব প্ৰকাশ কৰা কিমানদুৰ কঠিন, ই সহজেই অনুমেয়। কলিকাতা বিশ্ববিদ্যালয়ে খাচিয়া আৰু গাৰো ভাষাক স্থান দি তেওঁবিলাকৰ ধন্যবাদৰ পাত্ৰ হৈছে। খাচিয়া আৰু গাৰো ভাই সকলৰ সংখ্যাতকৈ বড়োবিলাকৰ সংখ্যা অত্যন্ত অধিক। বড়োবিলাকৰ সংখ্যা মাত্ৰ জিলাতে পৰ্য্যবসিত নহয়। গোটেই ব্ৰহ্মপুত্ৰ উপত্যকা জুৰি বড়োভাষাজষী মানুহৰ বাস। এনে অৱস্থাত বড়োভাষা প্ৰচলন বা চৰ্চ্চাৰ এটা ব্যৱস্থা হোৱা হলে বিপুল বড়োকচাৰি জাতিৰ বিশেষ উপকাৰ সাধিত হলহেঁতেঁন। এই বিষয়ে স্থানীয় গবৰ্ণমেন্টে আৰু দেশৰ প্ৰতিনিধিসকলৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। আশা কৰোঁ, দেশৰ দ্ৰুত উন্নতি লাভৰ বাট মুকলি কৰি দিব।

**ধৰ্ম্ম–**

বৰ দুঃখ আৰু পৰিতাপৰ বিষয় যে ভিতৰৰ খবৰ নোলোৱাকৈয়ে খৃষ্টীয় প্ৰচাৰক আৰু পাশ্চাত্য লেখক সকলে বড়োবিলাকৰ ধৰ্ম্মক ভূতোপাসনাৰ (animism) পাৰ্য্যায় ভুক্ত কৰি ৰাখিছে। এওঁবিলাকৰ পূজা উপাসনা বিশেষভাবে পৰ্য্যালোচনা কৰি চালে দেখা যায় এওঁবিলা কৰ ভিতৰত পুৰ্ব্ব পুৰুষ সকলৰ উপাসনা আৰু বীৰ পূজাৰ লগে লগে সৰ্ব্বনিৰস্ত একমেবা দ্বিতীয়ম্ বিশ্বদেবতাৰো পূজা আৰু উপাসনা স্মৰণাতীত কালৰ পৰাই চলি আহিছে। আৰ্য্য ঋষি-মুনি সকলৰ দৰে 'কস্মৈ দবোয় বিধেম' অৱস্থা এদিন এওঁবিলাকৰো হৈছিল। প্ৰথমে





প্ৰকৃতি আৰু দৃশ্যৰ পূজা উপাসনা কৰি শেষত লাহে লাহে এওঁবিলাকে 'আৰাঙমনোগোচৰ' পৰম পূৰুষৰ পঞ্চতত্ত্ব আৰু ত্ৰিগুণত্ব উপলব্ধি কৰি এওঁবিলাকে পৰম পূৰুষৰ নাম ৰাখিছিল "বাথৌ বড়ায়" (বা = পঞ্চ, থাম =ত্ৰায়, গথৌ- গভীৰ, বড়ায়- পূৰাণ পুৰুষ) এই পঞ্চাতত্ব আৰু ত্ৰিগুণত্বৰ প্ৰতীক স্বৰূপ পঞ্চবন্ধনযুক্ত বেদী স্থাপন কৰি এওঁবিলাকে পবিত্ৰ মন্ত্ৰোচ্চাৰণ কৰি আনন্ত অব্যক্ত পূৰুষ শ্ৰেষ্ঠ পূজাৰ আৰু উপাসনা কৰিছিল। বড়োঋষিসকলে বেদীৰ মধ্যস্থলত বৈচিত্ৰময় বিশ্বৰ প্ৰতীক সহসশাখা আৰু সস্ৰৰ খাদবিশিষ্ট শিজৌ বৃক্ষ প্ৰোথিত কৰি বাথৌৰ পূজা উপাসনাত বিশ্বতত্ত্ব আৰু ব্ৰহ্মতত্ত্বৰ অপূৰ্ব্ব প্ৰতীক প্ৰতিষ্ঠা কৰি থৈ গৈছে। বড়োৰ এই বাথৌ আৰু শিজৌতত্ত্ব অতি অপূৰ্ব্ব । বাথৌৰ পূজা এতিয়াও এওঁবিলাকৰ ভিতৰত আছে। এই বাথৌৰ পূজা উপাসনা ব্যতীত বাথৌৰ পৃথ্ক্ শক্তিকো এওঁবিলাকে পূজা কৰি থাকে।

লক্ষ্মীমাতা (মায়নাও), গৃহদেৱতা (ননিমদয়া) ইত্যাতি বহু দেৱদেবীৰ পূজা উপাসনা এতিয়াও আছে। এওঁবিলাকৰ দেৱতা বৰণ অতি চমৎকাৰ। এওঁবিলাক পৌত্তলিক নহয়। এতিয়াও এওঁবিলাকে মূৰ্ত্তি পূজা নকৰে। সাত্বিক আকাৰে এওঁবিলাকে একমেবাদ্বিতীয়ম বাথৌৰ উপাসনা কৰে। তান্ত্ৰিক প্ৰাধান্য আৰু বৌদ্ধধৰ্ম্মৰ অৱনতিৰ দিনত এওঁবিলাকৰ একেশ্বৰবাদ ধৰ্ম্মৰ বিকৃতি ঘটিছিল। বড়োবিলাকৰ ধৰ্ম্মোপাসনা আৰু পূজাপদ্ধতি দেখি বোধ হয় অতি প্ৰচীন কালতেই এওঁবিলকে আৰ্য্যঋষিসকলৰ সংস্পৰ্শত আহি আৰ্য্য ভাবাপন্ন হৈ পৰিছিল। এই বিষয়ে তত্বানুসন্ধিৎসু সুধীবৰ্গৰ দৃষ্টি আৰু মনোযোগ আকৰ্ষণ কৰিলোঁ।

**সমাজ আৰু পৰিয়াল–**

বড়োবিলাক গ্ৰামবাসী। গাওঁৰ প্ৰধান মনুহজনক এও বিলাকে "গামিনী গড়া" বোলে। গাওঁত কোনো সমস্য উপস্থিত হলে এওঁবিলাকে গাওঁৰ সসলো গৃহস্থকে লৈ এখন সভা "মেল" আহ্বান কৰে আৰু আলোচনা আৰু বিবেচনাৰ পিচত 'গড়াৰ' মীমাংসাকেই সভাৰ মীমাংসা বুলি মানে। গাওঁত সকলোবিষয়তে. গড়াৰ মান আৰু স্থান সকলোতকৈ ওখত। শিক্ষা দীক্ষা অভিজ্ঞতা আৰু জ্ঞান সমৃদ্ধিত যিজন শীৰ্ষস্থানীয় তেওঁকেই জনসাধাৰণৰ ৰাইজৰ মতামত লৈ "গড়া" পতা হয়।

"গড়ৰ' লগে লগে গাওঁত কেইজন মান "থানদৈৰ" ব্যৱস্থাও আছে, ইহঁত "গড়াৰ" আজ্ঞাবাহী। সভাসমিতি আহ্বানৰ সংবাদ আৰু গাওঁত কোনো কাৰ্য্য কৰিবৰ প্ৰয়োজনৰ সংবাদ ৰাইজক জ্ঞাপন কৰাই ইহঁতৰ প্ৰধান কৰ্ত্তব্য। এওঁবিলাকৰ সমাজ গঠন অতীব শৃঙ্খলাপূৰ্ণ। সমাজৰ বিধিব্যৱস্থা আৰু ৰীতি নীতি ধৰ্ম্মৰ ওপৰত সুপ্ৰতিষ্ঠিত। ধৰ্ম্মভীৰুতা এওঁলোকৰ ভিতৰত বিশেষভাবে পৰিলক্ষিত হয়। পূজ্য পাৰ্ব্বণাদিৰ কাৰ্য্য কৰিবৰ কাৰণে এওঁবিলাকৰ ভিতৰত "দৌৰি"ৰ বা "দেউৰি" নিৰ্ব্বাচিত হয়। এই দৌবিৰ দ্বাৰাই সমস্ত পবিত্ৰ পূজাকাৰ্য্য সম্পাদিত হয়। ওজাবিলাকে (priests) মন্ত্ৰ উচ্চাৰণ কৰি যায় আৰু তেওঁবিলাকৰ উচ্চাৰিত মন্ত্ৰানুযায়ী 'দেউৰি'য়ে বলিদানাদি সকলো কাৰ্য্য কৰে।

এওঁবিলাকে ভিতৰত গোত্ৰ প্ৰথা আছে। স্বৰ্গাৰি, বসুমাতাৰি, ব্ৰহ্মাৰি, নাৰ্জ্জৰি, দৈমাৰি প্ৰভৃতি কেইটা মান গোত্ৰত এই জাতি বিভক্ত। তাৰ ভিতৰত ব্ৰহ্মাৰি আৰু নাৰ্জ্জাৰি গোত্ৰৰ মানুহেই পুৰোহিতৰ কাৰ্য্য কৰে। 'আৰি' শব্দৰ অৰ্থ বড়োভাষাত দল বা সম্প্ৰদায়। একে গোত্ৰৰ ভিতৰত বিবাহ নিষিদ্ধ। প্ৰহ্মাৰি গোত্ৰৰ পুৰুষে বসুমাতাৰি গোত্ৰৰ কন্যাক বিয়া কৰিব পাৰে। কিন্তু একেই বসুমাতাৰি গোত্ৰৰ ডেকা আৰু গাভৰুৰ মাজত বিয়া হব নোৱাৰে। কাজেই জাতি হিচাবে এওঁবিলকে বিবাহকাৰ্য্যত Endogamy আৰু গো গত্ৰহিচাবে Exogamy। পুৰুষৰফালৰ পৰাই এওঁবিলাকৰ গোত্ৰ নিৰ্ণীত। বসুমাতাৰি কন্যই নাৰ্জ্জাৰি পৰিয়াললৈ আহি পতিৰ পিতাৰ গোত্ৰ লাভ কৰি নাৰ্জ্জাৰি হৈ যায়। পৰিয়ালৰ ভিতৰত সকলোবিষয়তে বাপেকেই সৰ্ব্বেসৰ্ব্বা। এটাইতকৈ ডাঙৰজন পুতেকে উত্তৰাধিকাৰ সূত্ৰে বাপেকৰ সকলো সম্পত্তিৰ অধিকাৰী হয় আৰু তাত সকলো পুতেকৰে অংশলাভৰ অধিকাৰ থাকে। পিতাৰ বৰ্ত্তমানে কোনো পুত্ৰ পৃথক্ হৈ গলে পিতাকৰ মৃত্যুৰ পিচত ভায়েকবিলাকৰ ওপৰত পৈতৃক সম্পত্তিত তাৰ কোনো অধিকাৰ নাথাকে। একেলগ হৈ থকাই বাঞ্ছনীয় বুলি এওঁবিলাকে ভাবে। পিতাকৰ মৃত্যুৰ পিচত ভায়েকবিলাকে বেলেগ হলে ডাঙৰজন পুতেকে আন কেইৰজনৰ দুগুণ অংশ পায়। সম্পত্তিৰ ওপৰত জীয়েকহঁতৰ কোনো অধকাৰ নাই । পুত্ৰ নহলে পোষ্য গ্ৰহণ কৰা হয় আৰু পোষ্যপুত্ৰই ঔৰসজাত পুত্ৰৰ সকলো অধিকাৰৰ অধিকাৰী হয়।





## জীৱনোপায়–

কৃষি আৰু শিল্পই এওঁবিলাকৰ মুখ্য জীৱনোপায়। গোপালন এওঁলোকৰ ধৰ্ম্ম। কৃষি ক্ষেত্ৰৰ উপযোগী পয়ঃপ্ৰণালী নিৰ্ম্মাণ এওঁলোকৰ কৃষি নিপুণতাৰ পৰিচায়ক। অন্নক এওঁলোকে 'মায়নাও' লক্ষ্মীমাতা বুলি ভাবি অতীব শ্ৰদ্ধা কৰে। কষিৰ উপযোগী সৰিৎবহুলা উপত্যকাই এওঁলোকৰ আবাসভুমি। এওঁবিলাকে শালিধানৰ খেতিৰ ওপৰতে নিৰ্ভৰ কৰে। এওঁলোকৰ নিচিনা নিপুণতাৰে শালিধানৰ খেতি কৰা বোধ হয় ভাৰতৰ আতি কম জাতিয়েহে পাৰে।

স্মৰণআতীত প্ৰাচীন যুগৰ পৰাই এওঁবিলাকে বস্ত্ৰয়নত দক্ষতা লাভ কৰিছিল । বড়োকূলবালাবিলাকৰ সকলোৱেই বয়নকৰ্ত্তনত অতীব নিপুণা। যঁতৰেৰে কপাহৰ সূতা কাটি দেশী তাঁতত এওঁবিলাকে পৰিধেৰ বস্ত্ৰ তৈয়াৰ কৰে আৰু এ ৰা গছৰ খেতি কৰি এৰী পোকৰ বাহৰ পৰা সূতা উলয়িাই অতি বিশুদ্ধ এৰী কাপোৰো বই লয়। এওঁলোকৰ বিবিধ প্ৰকাৰ কাপোৰত এওঁবিলাকে নানাপ্ৰাকাৰ কাৰুকাৰ্য্য কৰি, অতি সুন্দৰ সুন্দৰ ছবি বই আৰু ফুল তুলি নিজ নিজ শিল্প নিপুণতাৰ পৰিচয় দিয়ে। ইয়াৰ উপৰিও গৃহ নিৰ্ম্মাণাদি বিষয়তো এওঁলোকৰ শিল্পনিপুণতাৰ পূৰ্ণ পৰিচয় পোৱা যায়।

## আমোদ – প্ৰমোদ–

গোটেই বছৰৰ ভিতৰত ধান কটাৰ পিচত এওঁলোকে কামৰ পৰা অলপ অৱসৰ পায়। তেতিয়া বসন্ত আগমনত এওঁবিলাকে দল বান্ধি ওচৰৰ হাবিলৈ মৃগয়াৰ কাৰণে বাহিৰ হয়। এওঁবিলাকে ৰাতিপুৱা কিছু সময় হাল বাই ভাতপানী খাইলৈ দলবদ্ধ হৈ জাল লগত লৈ গৈ গোটেই দিন চিকাৰ কৰি সন্ধ্যা সময়ত ঘৰলৈ আহে। ফাগুনৰ পৰা বহাগৰ আৰম্ভ পৰ্য্যন্ত এওঁলোকৰ স্ফুৰ্ত্তি আৰু আনন্দৰ দিন। এই সময়ত এওঁবিলাকে বিষেষভাবে কামত ব্যস্ত থাকিব নলগা হয়। কাজেই এই সময়ত এওঁবিলাকে জাতীয় বিবিধ ক্ৰীড়া, কৌতুক, মৃগয়া আদিত আনন্দে কটায়। এওঁলোকৰ ক্ৰীড়া, কৌতুক এওঁলোকৰ সভাতাৰ পৰিচয়ক।

আহিন মাহৰ পৰা বহাগ মাহ পৰ্য্যন্ত শালিধান ৰোৱা শেষ হোৱা মাত্ৰেই বড়োকুলবালাবিলাকে সূতা কৰ্ত্তন আৰু বস্ত্ৰ বয়নত অত্যন্ত ব্যস্ত থাকিব লগা

হয়। এওঁবিলাকে আজৰি সময়ত অতীব স্ফুৰ্ত্তি আৰু আনন্দেৰে দলবদ্ধ হৈ ওচৰৰ বিল আৰু নদীত মাছ মাৰিবলৈ যায়। সেই এক অপূৰ্ব্ব মনোৰম দৃশ্য। আবেলি পৰত বড়োকুলবালাবিলাকে দলবান্ধি নৈৰ পাৰে পাৰে গীতকণ্ঠে হাবিত কোঁচত কৰি যেতিয়া বননিজাত শাক তুলিব ধৰে তেতিয়া দেখি আত্মাহাৰা হব লগা হয়।

বসন্তৰ মত্ত বতাহ, বৰ্ষণ পৰশত শালবনৰ সবুজ সজীবতা, ক্ষীণ মন্দাবাহিনী নিঝৰিণীৰ কলধ্বনি, শাল শাখাত বিহগকুজন, নবোৎগতা কোমল তৃণবল্লৰী, নবপল্লবিত তৰুশাখা, ৰক্তবস্ত্ৰ পৰিহিতা উজ্জ্বল কাঞ্চনবৰৰ্ণ বড়োকুলবালাৰ বলয় নিক্কন, সিহঁতৰ সুধাকণ্ঠৰ উদাস উদ্দাম সঙ্গীতধাৰা, তালে তালে সিহঁতৰ তনুলতা ভঙ্গিমাৰ অপূৰ্ব্ব সৌন্দৰ্য্য আৰু নবপুস্পিত বনফুলে ফুলে মধপগুঞ্জন এই সকলোৰে সমাবেশে দৰ্শকৰ মনত এক অপূৰ্ব্ব পূলক আৰু আনন্দৰ সঞ্চাৰ কৰে।

## নৃত্য সঙ্গীত –

এই বড়োজাতিৰ ভিতৰত নৃতাকলা যিৰকম মধুৰভাবে ফুটি উঠিছিল সেই ৰকম বোধ হয় ভাৰতৰ খুব কাম জাতিৰ ভিতৰততহে হৈছিল। এওঁলোকৰ নৃত্যকলাত এওঁলোকে গৌৰব কৰিবৰ যথেষ্ট কাৰণ ৰৈ আছে। ই অতি উচ্চাঙ্গৰ। এওঁলোকৰ নৃত্যকলাত তীব্ৰতা আৰু ক্ষিপ্ৰতা লেখমাত্ৰও নাই। কি সুন্দৰ তাল, কি সুন্দৰ মধুৰ অঙ্গভঙ্গিমা, দেহৰ কোনো অংশই বাদ নপৰে। তালে তালে সমস্ত দেহ মথিত হৈ নাচি উঠে। অথচ কেনে সুসংযত আৰু কেনে ভাব প্ৰকাশক। কেনে বিজ্ঞানসন্মত। নি চকুৰে নেদেখিলে এওঁলোকৰ নৃত্য বৰ্ণনা কৰিব পৰা নাযায়। বহুবিধ নৃত্য এওঁলোকৰ ভিতৰত এতিয়াও সম্পূৰ্ণ বৰ্ত্তমান। মই বঙালী সমাজৰ ৰঙ্গমঞ্চত নৃত্যকুশলা ভগিনীসকলৰ নৃত্যভঙ্গিমা দেখিছোঁ আৰু ইউৰোপবাসিনী বিভ্ৰাশালিনী বিস্ময়কাৰিণী ভগিনীসকলৰো বহুৰকম নৃত্য দেখিছোঁ। কিন্তু নৃত্যকলাৰ প্ৰতিমূৰ্ত্তি বড়োকুলবালাসকলৰ নৃত্যতকৈ অধিকতৰ ভাল নৃত্য দেখিছো বুলি কেতিয়াও মোৰ বোধ নহয়। পাশ্চ্যতৰ অন্ধ অনুকৰণ কৰিবৰ আবশ্যক নাই। নৃত্যকলা শিকিবৰ কাৰণে সমুদ্ৰ পাৰ হৈ বিদেশতো যাব নালাগে। দেশত ঘৰৰ ওচৰত সমস্ত ৰৈ আছে। কেৱল নতুন সাজ দি সংস্কৃত





কৰি লব লাগে। শুনিছোঁ। অৰফিউয়াস বাঁহী বজালে বৃক্ষপত্ৰ সৰি পৰিছিল কৃষ্ণৰ মোহন বংশী ৰবত যমুনা উজাই বৈছিল। এই সকলো শুনা কথা, দেখ নাই। কিন্তু বড়োৰ 'সেৰজা' বাদনত অনেক স্ত্ৰীপুৰুষকে অশ্ৰুবৰ্ষণ কৰা নিজ চকুৰে দেখিছোঁ। এওঁলোকৰ বাদ্যযন্ত্ৰৰ ভিতৰত সেৰজা, বিঙি, চিফুং, গংগনা, খাম, জপাথ আদিয়েই প্ৰধান। প্ৰত্যেকৰেই বিশেষ বিশেষ তাল, লয়, মান আছে। এক একটি সুৰ বা তান শুনিলেই প্ৰাণ নাচি উঠে, হৃদয় কঁপি উঠে ইমানেই শক্তি এওঁলোকৰ বাদ্যযন্ত্ৰৰ । নিজ কাণে নুশুনিলে এইবিলাকৰ প্ৰকৃত বৰ্ণনা অসম্ভৱ। নৃত্যসঙ্গীতবিদসকলৰ ওচৰত মোৰ এয়ে অনুৰোধ যেন তেখেতসকলে এবাৰ বড়োসমাজৰ লগত পৰিচিত হৈ এওঁলোকৰ নৃত্যসঙ্গীত বিষয়ে বিশেষ জ্ঞানলাভ কৰি আহে।

বিবাহ–

(১) হৰণপ্ৰথা ঃ- কোনো ঘৰত বিয়াৰ উপযুক্ত কন্যা দেখিলে আৰু অন্য প্ৰথানুযায়ী বিয়া কৰিব অসমৰ্থ হলে ভাবী বৰে গাৱঁৰ ওচৰচুবুৰীয়াৰ সহায় লৈ সেই কন্যাটোক দিনত অথবা শেষ ৰাতিত অজ্ঞাত অৱস্থাত হৰণ কৰি ঘৰলৈ লৈ আহে আৰু নানাপ্ৰকাৰ উপদেশ আৰু পৰামৰ্শ দি কন্যাটোক বশীভুত কৰি সন্মত কৰায়। কন্যাৰ অভিভাবকে কন্যাটিক অনুসন্ধান কৰি ওভোটাই নিবলৈ চেষ্টা কৰে। কন্যাৰ সন্মতি আৰু অবিভাবকৰ মত নহলের কন্যা ওভোটাই দিয়া হয়। অভিভাবক আৰু কন্যাৰ সন্মতি থাকিলে শুভ দিন স্থিৰ কৰি বিবাহ কাৰ্য্য সম্পন্ন কৰা হয়। বিয়াৰ দিনা কিম্বা তাৰ পিচত সুবিধামতে যি কোনো দিন কন্যাৰ পিতা অথবা যি কোনো পুৰুষ অভিভাবকে বৰৰ পৰা কন্যাপণ দাবী কৰি আদায় কৰে। কোনো কোনো সময় পণ টকা দিব অসমৰ্থ হলে কন্যা ওলোটাই নিয়া হয়। অভিভাবক নহলে মাত্ৰ গাওঁৰ ওচৰচুবুৰীয়া মানুহ আৰু কন্যাৰে বিবাহ ক্ৰিয়া সম্পন্ন হব নোৱাৰে । ৰীতিমতে বিবাহ ক্ৰিয়া সম্পন্ন কৰি (হাৰিহাল বা হেতাচুৰনি ভোজ নোখোৱা পৰ্য্যন্ত বিবাহক্ৰিয়া সম্পূৰ্ণ নহয় আৰু সেই দিন পৰ্য্যন্ত বৰ আৰু কন্যাক একেলগে থাকিব দিয়া নহয়। বৰ্ত্তমান এই হৰণ প্ৰথা উঠি গৈছে। কচিতহে দুই এটা দেখা যায়।

(২) কন্যাগমন (খাৰসননায়) - কোনো যুবতী কোনো যুবকক দেখি

পতিত্ব বৰণ কৰিব ইচ্ছা কৰিলে যুৱতী নিজ গাওঁৰ অন্তৰঙ্গ সখী অথবা যি কোনো আত্মীয়াৰ আগত নিজ অভিপ্ৰায় জ্ঞাপন কৰে আৰু তেওঁকে লগতলৈ নিজৰ বাঞ্জিত যুৱকৰ ঘৰলৈ যায়। লগৰ তিৰোতাজনী যুৱকৰ মাক অথবা গৃহকত্ৰীৰ আগত যুৱতীৰ মনোবাঞ্জা জনায়। গৃহকৰ্ত্তা আৰু গৃহকৰ্ত্ৰীৰ মত হলে যুৱতী থাকি যায় আৰু অনেক দিন ধৰি ঘৰৰ উপস্থিত যাবতীয় কাৰ্য্যাদি কৰি ভাৱী পতিৰ দৃষ্টি আকৰ্ষণ কৰি তাৰ মনোৰঞ্জন কৰে। এইভাবে যুৱকে যুৱতীক মন খালে যুৱতীৰ মাতাপিতা বা অভিভাৱকক সংবাদা দি ওচৰচুবুৰীয়াকলৈ বিয়া দিয়া হয়। কন্যাৰ অভিভাৱকৰ একান্ত অনিচ্ছা আৰু অসন্মতি হলে কন্যাটোক ওভোটাই নিয়া হয়। তাৰপিচত যদি কন্যা বাৰে বাৰে পলাই হাহে তেন্তে অভি ভাবকে উচিত কন্যাপণ লৈ বিয়া দিবলৈ বাধ্য হয়। এই প্ৰথা এতিয়াও চলি আছে।

(৩) কন্যা সুধি বিয়া কৰোয়া (সংনানৈ হাবাখালামনায়) ঃ- পুত্ৰৰ বিবাহযোগ্য বয়স প্ৰাপ্ত হলে মাকবাপেকে ক'ত উপযুক্ত কন্যা আছে তাৰ সংবাদ লয়। সন্ধান পালে আৰু কন্যা উপযোগী হলে শুভ দিন স্থিৰ কৰি গৃহকৰ্ত্ৰী গাওঁৰ তিনি চাৰজনী তিৰোতাক মাতি নি সিহঁতৰ দ্বাৰা পানতামোলৰ ভাৰ সজাই লৈ কন্যাঘৰলৈ কন্যা সুধিবলৈ যায়। এইভাবে যি বিলাকে পানতামোলৰ টোপোলা লৈ যায় সিহঁতক "টেৰাতি" বোলে। নতুন পাতল শুভ্ৰ চাদৰৰ এক প্ৰান্তে তামোল আৰু অপৰ প্ৰান্তে পান বান্ধি নিব লাগে। পৰিহিত বস্ত্ৰও নতুন হব লাগে। বৈৰাতি বিলাকে কন্যাঘৰত উপস্থিত হৈ যথাস্থানত বহি তামোল কাটিবলৈ আৰম্ভ গৰে। কন্যাৰ মাক অথবা গৃহকৰ্ত্ৰীয়ে তেওঁবিলাকক সম্ভাষণ কৰি তেওঁলোকৰ উদ্দেশ্য জানি লৈ যথা সময়ত কন্যা দেখুৱায়। প্ৰথমবাৰেই কন্যাৰ অথবা অভিভাৱকৰ সন্মতি লবলৈ চেষ্টা কৰা হয়। সন্মতি প্ৰকাশিত হলে বৰৰ ঘৰৰ পৰা কন্যাৰ ঘৰ লৈ একভাৰ বিশুদ্ধ মদ "বিবান" লৈ যোৱা হয়। "বিবান" লৈ যাবৰ সময়ত কেৱল পুৰুষবিলাকহে যায়। তিৰোতাবিলাকৰ তাত যাবলৈ কোনো অধিকাৰ নাই। এইভাবে দুই দিনিবাৰ "বিবান" লৈ যোৱাৰ পিচত উভয় পক্ষৰ মতামত লৈ বিবাহৰ দিন ধাৰ্য্য কৰা হয়। বিবাহৰ পূৰ্ব্বদিন বৰ পক্ষই ঢাক ঢোল লৈ সমাৰোহেৰে কন্যাৰ ঘৰত উপস্থিত হয়। আৰু সূৰ্যোদয় হোৱাৰ পূৰ্ব্বেই





"বৈৰাতিৰ" দ্বাৰা কন্যাবৰণ কৰাই লৈ বৰৰ ঘৰৰ ফালে ৰওনা হয়। অন্যান্য তিৰোতাবিলাকেও গান গাই গাই বিবাহ যাত্ৰাত যোগদি বৰৰ ঘৰত বিবাহমণ্ডপত উপস্থিত হয়। স্ত্ৰী আৰু পুৰুষবিলাকৰ কাৰণে বিবাহ স্থলত পৃথক্ পৃথক্ বন্দোৱস্ত থাকে। কন্যা বৰৰ ঘৰত উপস্থিত হলেই শান্তি পানীৰে তেওঁৰ পদ ধৌত কৰি ঘৰত বৰণ কৰি ৰখা হয়। তাৰ পিচত সন্ধ্যা সময়ত যথাৰীতি বিবাহক্ৰিয়া সম্পন্ন কৰাৰ পিচত কন্যাৰ সখী আৰু অন্যান্য যুৱতীসকলে কন্যাক লৈ বিবাহ-মণ্ডপত নৃত্য কৰে। বিবাহত পান, ভোজন, অভিনয়াদিৰ প্ৰচুৰ আয়োজন কৰা হয়। পানতামোলৰ টোপোলা দি আত্মীয়, স্বজন, ওচৰচুবুৰীয়া আৰু বন্ধুবান্ধৱসকলক বিয়ালৈ নিমন্ত্ৰণ কৰা হয়। জ্ঞাতি কুটুম্ববিলাকৰ প্ৰত্যেকেই এক এক কলহ মদ লৈ যায়। এই প্ৰথাই বড়োবিলাকৰ প্ৰকৃত প্ৰথা। ইয়াকেই এওঁবিলাকে বিবাহকাৰ্য্য (হাৱা) বোলে। বৰ্ত্তমান কিছুমানে উচ্চশ্ৰেণীৰ হিন্দুবিলাকৰ দৰেই বিবাহ ক্ৰিয়া সম্পন্ন কৰে। যজ্ঞাহুতি, দান, কন্যা, সম্প্ৰদান, বৰ-কন্যাৰ অঙ্গীকাৰ, প্ৰাৰ্থনা ইত্যাদি কাৰ্যৰি দ্বাৰা এতিয়া তেওঁবিলাকৰ কিছুমানে বিবাহ কাৰ্য্য সম্পদিত কৰে। এইভাবে বিবাহকাৰ্য্য সম্পাদনকৰাবিলাকৰ ভিতৰত বিবাহৰ সময়ত মদ আৰু মাছ মাংসৰ ব্যৱহৰ আজি কালি সম্পূৰ্ণ নিষিদ্ধ। 'বিবানৰ' সময়ত মদৰ পৰিবৰ্ত্তে এতিয়া চাহ, গাখীৰ আৰু মিঠৈৰ ভাৰ লৈ যায়।

## মৃতদেহ সৎকাৰঃ

বড়োবিলাকে অধিকাংশ মতদেহ যথাৰীতি দাহ কৰি পেলায়। নদী কিম্বা যি কোনো জলাশয় তীৰত যথাৰীতি চিতা ৰচানা কৰি দাহকাৰ্য্য সম্পন্ন কৰে। ঘৰত কোনো মানুহৰ মৃত্যু হলে এখন নতুন বগা কাপোৰৰ দ্বাৰা সেই মৃত দেহ ঢাকি ৰখা হয় । বাঁহৰ শয্যা প্ৰস্তুত কৰা হলে কুটীৰ প্ৰাঙ্গণত গোময় লেপন কৰি মৃতদেহ বাহিৰলৈ আনি তাৰওপৰত শুওৱা হয়। তাৰ পিচত বিশুদ্ধ সৰিহৰ তেল মুখ, হাত, ভৰি আৰু গাত ঘঁহি দিয়া হয়। তিৰোতা হলে গাৰ অলঙ্গাৰ সোলোকাই হাতত লোৰ বা তামৰ খাৰু পিন্ধাই লৈ কপলত সিন্দুৰ দিয়া হয়। ভাত আঞ্জা ৰান্ধি নামমাত্ৰ মুখত চুই দিয়া হয়। মৃতব্যক্তিৰ ভাত আঞ্জা ৰান্ধিবৰ সময়ত বাওং হাতেৰে সকলো কাম কৰিব লাগে।

চাৰিজন মানুহে কানত কৰি শয্যাত মৃতদেহ লৈ যায়। তেতিয়াই গোটেইবোৰ ঘৰকে এগছি সূতাৰে মেৰিয়াই সেই সূতাগছডালি টানি মৃতদেহৰ লগে লগে শ্মশান পৰ্য্যন্ত লৈ যাব লাগে। মানুহৰ বিশ্বাস আৰু ধাৰআ যে মৃত ব্যক্তিৰ আত্মা সেই সূতাডালেৰে ঘৰ লৈ গৈ শোকসন্তপ্ত স্বজন সকলক দেখি যায়। বাঁহৰ আগ কাটি তাত নতুন বগা কাপোৰৰ নিজান লগাই শ্মশান পৰ্য্যন্ত কিছুদুৰে দূৰে পুতি যাব লাগে। শ্মশান লৈ গৈ কড়ি বা পইচা পেলাই দি মাটি কিনি লোৱাৰ নিয়ম আছে। মাটি কিনি তাতেই চিতা ৰচনা কৰা হয়। মৃতদেহ চিতাত শুওৱাৰ আগেয়েই জ্যেষ্টপুত্ৰ , তেওঁৰ অভাৱত যি কোনো পুত্ৰ আৰু তেওঁৰ অভাৱত ৰক্ত সম্পৰ্কিত যি কোনো পুৰুষকে স্নান কৰাই তেওঁৰ দ্বাৰা ভাত ৰন্ধাই মৃতব্যক্তিক নামমাত্ৰ খুওৱা হয় আৰু তেওঁৰ দ্বাৰাই মুখাগ্নি কৰাই চিতাত অগ্নি সংযোগ কৰোৱা হয়। মৃতদেহ মাটিত পুতি ৰখা প্ৰথা এওঁলোকৰ মাজত এতিয়াও আছে। এওঁলোকৰ মাজত নদীত মৃতদেহ উটুৱাই দিয়া সম্পূৰ্ণ নিষিদ্ধ। কোনো কোনো সময়ত অৱস্থাবিশেষে মৃতদেহ যথাৰীতি শ্মশানত শুৱাই থৈ অহা হয়। বড়োজাতীয় মানুহবিলাকে অত্যন্ত বিশুদ্ধভাবে থাকে। ঘ ৰৰ পৰা মৃতদেহ শ্মশানলৈ লৈ যোৱাৰ পিচতে সকলো ঘৰ গোময় লেপন ক ৰি কাপোৰ কানি আৰু যাবতীয় বাচনবৰ্ত্তনবোৰ ধুই পৰিস্কাৰ কৰি লয়।

মৃতদেহ সৎকাৰ কৰি শ্মশানৰ পৰা আহি ঘৰত সোমোৱাৰ পুৰ্ব্বেই সকলোৱে গা ধুই অগ্নি স্পৰ্শ কৰি তুলসীপাত আৰু ৰৌপা (আঙুঠি) ধাতু ভিজোৱা শান্তি বাৰি পান কৰিব লাগে আৰু ঘ ৰৰ পৰিয়ালবৰ্গৰ মূৰত আৰু গাত ছটিয়াই দিব লাগে। সাধাৰণতে নাজ্জৰী গোত্ৰৰ মানুহেই শান্তি বাৰি দিয়ে। ঘৰ পায়েই প্ৰত্যেককে শান্তি বাৰি পান কৰাই মৰাপাটৰ শুকান পাত দাঁতেৰে কামুৰি অগ্নি স্পৰ্শ কৰি প্ৰয়শ্চিত্ত কৰিব লাগে। তাৰ পূৰ্ব্বে কাকো ঘৰত সোমাৰ দিয়া নহয়। তাৰ পিচত গাওঁৰ প্ৰত্যেক ঘৰৰপৰা এজন এজন মানুহ মৃত ব্যক্তিৰ ঘৰলৈ গৈ যাৰ যি ৰকম সমৰ্থ সেই ৰকম অৰ্থ দান দি যায়। যথাসময়ত এই দানৰ টকাৰে নিমখ কিনি সকলোকে ভগাই দিয়া হয়। মৃত্যুৰ দহ দিন পিচতে মৃতবাক্তিৰ শ্ৰাদ্ধকাৰ্য্য সম্পন্ন কৰা হয়। শ্ৰদ্ধৰ দিনা গাওঁৰ সকলোকে মাতি ভোজ খুৱাই মৃতব্যক্তিৰ নামে পিণ্ড দান কৰা হয়। সকলোৱে মাজত পইচা আৰু চাউল ছটিয়াই





দিয়া হয়। জ্যেষ্ঠ পুত্ৰ, অভাবে ঔৰষজাত যি কোনো পুত্ৰ, অভাবে সহোদৰ ভাই আৰু ভ্ৰাতুষ্পুত্ৰই পিণ্ডদানত অধিকাৰ পায়। বৰ্ত্তমানে ব্ৰহ্ম ধৰ্ম্মৱলম্বী ব্ৰহ্মবিলাকৰ ভিতৰত ভোজ আৰু আহুতিৰে মৃতব্যক্তি আত্মাৰ সদগতি কামনা কৰা প্ৰথা চলিছে। মাতাপিতাৰ মৃত্যু হলে শ্ৰাদ্ধ শেষ নোহোৱা পৰ্য্যন্ত পুত্ৰই ব্ৰত উদযাপন কৰি চলিব লাগে। প্ৰতি বছৰে যথাসময়ত মৃত ব্যক্তিৰ নামত শ্ৰাদ্ধ কৰি সেই আত্মাৰ মঙ্গল কামনা কৰিব লাগে।

## জাতীয় উৎসব আৰু পূজাপাৰ্ব্বনাদি ঃ-

**খেৰাই –**

ই এটি প্ৰধান বাৎসৰিক উৎসৱ। প্ৰত্যেক মৌজায়. মৌজায় বা গাওঁৰে গাওঁৰে বছৰত এবাৰ এই উৎসৱ হয়। শস্যাদি ৰোৱা শেষ হোৱাৰ পিচত কৰ্ম্মাৱসানত আহিন কাতি মাহত এই উৎসৱ কৰা হয়। বাথৌ প্ৰতিষ্ঠা কৰি বাথৌ পূজাৰ লগে লগে নৃত্য সঙ্গীত হৈ থাকে। বাথৌৰ সন্মুখত আৰু চাৰিওফালে এজনী তিৰোতা' দৌদিনি' দেওধনি ঢাল তৰোৱাল লৈ বীৰাঙ্গনা বেশেৰে বদ্যযন্ত্ৰৰ তালে তালে নাচি থাকে আৰু সময়ে সময়ে সন্মুখত বহি কঁপি কঁপি ভবিষ্যঁবাণী কৰি থাকে। এজন 'গিতাল' উৎগাতা এজন 'দৌৰি' পুৰোহিত আৰু দুই এজন বিশিষ্ট লোক 'দৌদিনি'ৰ ওচৰত শস্য ৰ ফলাফল, প্ৰজাৰ সুখদূঃখ আৰু ৰোগ শোক সম্বন্ধে অনেক প্ৰশ্ন সোধে। 'দৌদিনি'য়ে সকলো প্ৰশ্নৰ উত্তৰ দি যায়। ই ঠিক প্ৰাচীন গ্ৰীকবিলাকৰ Delphic oracle নিচিনাই।

প্ৰাচীন বীৰপুৰুষ আৰু মহাপুৰুষ সকলে 'দৌদিনি'ৰ ভিতৰেদি আবিৰ্ভূত হয় আৰু তেওঁৰ (দেওধনিৰ ) দ্বাৰা পৰিচিত হলেই সময়তে ব্যক্তিসকলে ভক্তিভাবেৰে নতশিৰে তেওঁলোকৰ গুণকীৰ্ত্তন কৰি তেওঁলোকক পূজা কৰে। নাচগান আৰু পূজাত তিৰোতাবিলাকক কোনো অধিকাৰ দিয়া নহয়। সিহঁতে এফালে বহি নাচগান আৰু পূজা চায় মাত্ৰ। গোটেই ৰাতি পুজা শেষ নোহোৱা পৰ্য্যন্ত এই উৎসৱ চলি থাকে। নিকটবৰ্ত্তী বিভিন্ন গাওঁৰ যুবকবিলাকেও অন্য গাও ৰ উৎসৱলৈ গৈ নচগান কৰে। বাথৌৰ চাৰিওফালে ঘুৰি ঘুৰি দলে দলে

বৃত্তকাৰে গীত গায় আৰু নৃত্য কৰে। দৌদিনিৰ’ নৃত্যৰ অনেক তাল আছে। বাহী, মাদল আৰু কৰতালৰ তালে তালে নাচিব লাগে।

**মাৰাই ঃ-**

এওঁলোকৰ অনেক মধ্যবিত্ত আৰু ধনাঢ্য গৃহস্থই মনসা পুজা কৰে। মনসা পূজাক এওঁবিলাকে মাৰাই বোলে। সূত্ৰধৰবিলাকৰ সাহায্য লৈ এই পূজা কৰা হয়। পূজাৰ সময়ত বিভিন্ন ঠাইৰ পৰা অনেক মুনিহ আৰু তিৰোতা উপস্থিত হয়। এই পুজাতো দেওধনি আৰু ‘গিতাল’ থাকে। ইয়াতো নৃতাগীত হয়।

**লক্ষ্মীপূজা ঃ-**

বৰ্ত্তমানে কোনো কোনো ধনাঢ্য বড়োক প্ৰতিবছৰ মূৰ্ত্তি পূজাৰ আকাৰেও লক্ষ্মীপূজা কৰা দেখা যায়। তাৰ বাহিৰেও প্ৰত্যেক গৃহস্থতে বৰ ঘৰত ভাত ৰন্ধাৰ কোঠালীত চোকাৰ বাওঁফালে পূব পিনে লক্ষ্মীমাতাৰ এটা টিপ নিৰ্দ্দিষ্ট থাকে। ইয়াক তেওঁবিলাকে ‘মায়নাও’ বিন্দু বোলে । ‘মায়নাও’ শব্দৰ অৰ্থ লক্ষ্মী । প্ৰাতঃ কালত আৰু সন্ধ্যা সময়ত ৰন্ধাৰ আগোয়ে তাৰ পিচতে ৰন্ধনকাৰ্য্য আৰম্ভ কৰে। এওঁবিলাকে অন্নক মায়নাও’ জ্ঞান কৰি অতিশয় শ্ৰদ্ধা আৰু ভক্তি কৰে। নবান্ন ভোজনৰ সময়ত এওঁবিলাকে ‘ময়নাও’ৰ বাৎৰিক পূজা কৰে। এওঁলোকে নবান্নক ‘নাৱন’ বোলে।

**গৃহদেৱতা ঃ-**

‘মায়নাও’ৰ কাষতে গৃহদেৱাৰো এটা টিপ নিৰ্দ্দিষ্ট থাকে। গৃহদেৱতাকে এওঁবিলাকে ‘ননিসদায়’ বোলে। ঘৰত কোনো শুভ কাজ হলে অথবা কোনো ৰোগ বিপদ হলে এওঁলোকে গৃহদেৱতাৰ পূজা কৰে।বছৰত এবাৰকৈ গৃহদেৱতাৰ পূজা কৰিব লাগে। এই পুজাত ডাঙাৰ ভোজ দিয়া হয়।

**মজন্ হ’নায় -**

এওঁবিলাকে ধান কটাৰ সময়ত ধানতলিত পাৰ, ধুপধুনা, আখৈ, কলাপিঠা, চাইল আৰু গাখীৰ লৈ গৈ শসাধিপতিৰ পূজা কৰে। পূজাৰ শেষত ধানতলিত পূজা কৰা ঠাইতে বনভোজৰ নিচিনা সামান্য পানভোজনও কৰা হয়।

**দোমাহী ঃ-**





পুহমাহৰ সংক্ৰান্তিৰ সময়ত গৰখীয়াবিলাকে ধানৰ খেৰ আৰু বাঁহেৰে ভেলঘৰ তৈয়াৰ কৰি শেষ ৰাত্ৰিত পুৰি পেলায়। ভেলাঘৰ পুৰিবৰ সময়ত যেতিয়া জুই জলি থাকে তেতিয়া গৰখীয়াবিলকে হৰিনাম লৈ জয়ধ্বনি কৰি কৰি গাওঁৰ আৰু গৰুবোৰৰ শুভ প্ৰৰ্থনা কৰে । ভেলাঘৰ পোৰাৰ পিচত নদীত জাপ দি গা ধুই একেলগে পিঠা কণী খাবলৈ বহে। সেই ৰাতিৰ পূৱাই পৰাই ব’হাগ মাহ পৰ্য্যন্ত সিহঁতৰ গৰু চৰোৱা বন্ধ ৰখা হয় আৰ্থাৎ গৰু নাচাৰি এৰি দিয়া হয় । এই সময়টোকে সিহঁতে ‘উদংবথ’ৰ বোলে । এই মাঘ, ফাগুন আৰু চ’ত মাহ ইহঁতে নানাপ্ৰকাৰ ব্যসন আৰু আমোদপ্ৰামোদত কটাই দিয়ে। দোমাহীৰ সময়ত গাওঁত এটা ভোজৰ আয়োজন কৰি আনন্দোৎসৱ কৰা হয়।

**বৈশাগ (ব’হাগ বিহু) ঃ-**

নৱবৰ্ষৰ আনন্দোৎসৱ । নববৰ্ষাৰম্ভে প্ৰথম সাতদিন ধৰি এই উৎসৱ হয়। তিৰোতাবিলাকে আগৰ পৰাই দলবদ্ধ হৈ নিগটবৰ্ত্তী গাওঁসমূহৰ পৰা কণী বা পইটা খুজি ৰাখে। পিচত উৎসৱৰ দিন উপস্থিত হলে সংগৃহীত দ্ৰব্যাদিৰ দ্বাৰা পান, ভোজন আৰু নৃত্যগীতাদি আয়োজন কৰা হয়। শেষ দিনত পানভোজন হয়। ইয়াৰ আগৰ নৃত্যগীতাদি কৰি এওঁলোকে গাওঁত আমোদপ্ৰমোদ কৰি থাকে। পুৰুষিবিলাকেও ঠিক তিৰোতাবিলাকৰ নিচিনাই পৃথক উৎসৱ ব্যৱস্থা কৰে। এই সময়ত প্ৰত্যেক ঘৰে ঘৰে উৎসৱৰ নামত উৎকৃষ্ট মদ তৈয়াৰ কৰি ৰাখে। পুৰুষবিলাকে দলবদ্ধ হৈ নাচগান কৰি ঘৰে গৰে মদ খাই ফুৰে। উৎসৱৰ দিনা তিৰোতাবিলাকেও স্ফুৰ্ত্তিৰ বাবে কিছু পৰিমাণে মদ খায়।

**ক্ৰীড়া আৰু আমোদপ্ৰমোদ ঃ-**

এই বড়োবিলাক অত্যন্ত আমোদপ্ৰমোদ আৰু ক্ৰীড়াপ্ৰিয়। এওঁলোকৰ মাজত বহু প্ৰকাৰৰ খেলা দেখা যায়। তাৰ ভিতৰত বাথা, আখৈদাওদৈ, দহৱ, আমায়মায়গিলা ইত্যাদিয়েই প্ৰধান। বালক আৰু যুবক সকলে অৱসৰৰ সময়ত ‘উদাংব’থ’ৰত্ত’ (মাঘ, ফাগুন, চৈত্ৰ) দলবদ্ধ হৈ এইবোৰ খেলা কৰি সময় কটায়। এইবোৰৰ উপিৰিও বহি বহিয়েই দুই এজনে খেলা খেলে। এই ৰকম খেলাও এওঁলোকৰ মাজত অনেক আছে। দিৱাৱসানত পথাৰ আৰু বনৰ পৰা গৰুৰ দল ঘৰলৈ আনিবৰ সময়ত গৰখীয়াবিলাকে একেলগে অতি সুন্দৰ সুন্দৰ গীত গাই

'হুৰৰ' শব্দ কৰি কৰি গৰুৰ দল দৌৰায়। গৰুৰ দলেও ওপৰলৈ নেজ তুলি ধুলা উৰাই ঘৰৰ মুখে দৌৰি থাকে ।ই এটা অতি সুন্দৰ দৃশ্য।

কৰ্ম্মাৱসান হলে ঘৰলৈ আহি কিছু জলযোগ কৰি সন্ধাৰ পিচত গাওঁৰ আৰু ঘৰৰ বালক - যুবক সকলে একেলগ হৈ ৰিডিং, সিফুং, সেৰজা প্ৰভৃতি বাদ্যযন্ত্ৰ বজাই আৰু গান কৰি আমোদপ্ৰমোদ কৰে।

আহাৰান্তে ৰাতিৰ প্ৰথম ভাগত তৰুণী বালিকাসকলেও এঠাইত লগহৈ 'গংগনা' বজাই নৃত্যগীতা কৰি আমোদ কৰে। এওঁলোকৰ আমোদপ্ৰমোদ সম্পুৰ্ণ নিৰ্দ্দোষ। তৰুণতৰুণীৰ মাজত একত্ৰ আমোদপ্ৰমোতৰ কোনো ব্যৱস্থানাই। এইৰকম একেলগে আমোদপ্ৰমোদ সমাজত সম্পূৰ্ণ নিষিদ্ধ।

**পৌৰাণিক বিবৰণ আৰু উপাখ্যান ঃ-**

এওঁলোকৰ মাজত প্ৰাচীন পৌৰাণিক বীৰপুৰুষসকলৰ অনেক অপূৰ্ব্ব কাহিনী এতিয়াও বৰ্ত্তমান। ৰামায়ণ আৰু মহাভাৰতৰ গল্পৰ নিচিনাই এইবোৰ পৌৰাণিক কাহিনী অতীব চিত্তাকৰ্ষক আৰু শান্তিদায়ক। মাজে মাজে গীতৰ সুৰেৰে ছন্দকাৰে এইবোৰ কাহিনী শুনাব লাগে। গোটেইবোৰ কাহিনীয়েই বীৰ পুৰুষ সকলৰ বীৰত্ব, প্ৰেম, ভালপোৱাভাব আৰু সুখদুঃখৰ কথাৰে পৰিপূৰ্ণ। দুই তিনি ৰাতি ধৰি শুনালেও এক একটি কাহিনী শেষ কৰা নাযায়। শ্ৰোতাবিলাকে শুনি শুনি আকৃষ্ট আৰু মুগ্ধ হৈ স্নানাহাৰ পাহৰি যায়। এইসকলো অমৃতময়ী কাহিনী চন্দাকাৰে লিপিবদ্ধ কৰিব পাৰিলে ৰামায়ণ আৰু মহাভাৰতৰ নিচিনা এক একটি বৃহৎ কাব্যগ্ৰন্থ বাহিৰ হব। এইবোৰ পৌৰাণিক কাহিনীৰ ভিতৰেদিয়েই বড়োবিলাকৰ প্ৰাচীন সভ্যতাৰ পৰিস্কাৰ আভাস পোৱা যায়। ভাবৰাজ্য বাস্তব উন্নতিত কৃষিশিল্প আৰু সংগ্ৰাম নিপুণতাত যে বড়োবিলাকে অতি প্ৰাচীন যুগত অনেক দুৰ,অগ্ৰসৰ হৈছিল সেইটো এইবোৰ কাহিনী শুনিয়েই স্পষ্ট বুজা যায়। পোৰাণিক কাহিনীৰ বাহিৰেও এওঁলোকৰ মাজত উপদেশপুৰ্ণ বহু সৰু সৰু গল্প বা উপাখ্যান আছে। এই সসলো সাৰগৰ্ভ গল্প আৰু পুৰাণকাহিনী শুনিয়হে এওঁলোকে শোকত আৰু দুঃখত শান্তি লাভ কৰি জাতীয় অস্তিত্ব ৰক্ষা কৰি আছে।

**জাত্যভিমান ঃ-**





বড়োজাতি অতি শুদ্ধ জাতি। এই জাতিৰ মাজত ৰক্ষণশীলতাৰ ভাব খুব বেচি। এওঁবিলাকে ভিন্ন জাতীয় লোকক 'হাচা' বোলে। যবন আৰু ম্লেচ্ছ শব্দ যি অৰ্থত ব্যৱহাৰ হয় এই 'হাচা' শব্দও বড়োবিলাকৰ মাজত সেই একে অৰ্থতে ব্যৱহাৰ হয়। 'হাচা'বিলাকৰ হাতে পাক কৰা ভাত এওঁলোকে নেখায়। তেওঁবিলাকৰ হাতে পানীও নচলে। 'হাচা'বিলাকক বৰঘৰত সোমাবলৈ দিয়া নহয়। কোনোবাই হঠাৎ সোমালে গোময়ৰে লিপি পৰিস্কাৰ কৰা হয়। বিশেষভাবে পৰিস্কৃত নহলে ব্ৰহ্মাণবিলাকে ৰন্ধা ভাতও এওঁলোকে নেখায়। 'হাচাগাহাম" ভাল 'হাচা' অৰ্থাৎ যিবিলাক বড়োৰ বিশেষ সম্পৰ্কিত অথবা যিসকল বড়ো হিন্দুধৰ্ম্মত এইমাত্ৰ দীক্ষিত হৈছে এনেলোকৰ হাতে অন্নজল গ্ৰহণ কৰিবলৈ এওঁলোকে বিশেষ আপত্তি নকৰে। এইভাবেই তেওঁবিলাকে ৰাজবংশীবিলাকৰ হাতে অন্নজল গ্ৰহণ কৰে। ভিন্নাতীয় মানুহৰ লগত এওঁলোকে বিবাহৰ আদানপ্ৰাদন হবলৈ নিদিয়ে। বড়োবিলাকে গোভোজীবিলাকক কুৱাৰ পৰাই পানী তুলিবলৈ নিদিয়ে। বৰ্ত্তমান কালত শিক্ষা লাভৰ লগে লগে এওলোকৰ গোড়ামিৰ ভাব লাহে লাহে দূৰ হৈছে। আগেয়ে প্ৰবাসৰ পৰা ঘৰলৈ উলটি আহিল গাধুই উঠি শান্তি বাৰি পান কৰি প্ৰায়শ্চিত্ত নহলে বৰঘৰত সোমাৰ দিয়া নহৈছিল।

**জাতীয় আন্দোলন ঃ-**

বৰ্ত্তমান সময়ত এওঁলোকৰ মাজত সঙ্ঘবদ্ধ হৈ উন্নতি লাভৰ চেষ্টা চলিছে। ধুবৰী মহকুমাত ২৪/২৫ বছৰ আগেয়ে পৰমহংস শিবনাৰায়ণ স্বামীৰ বৈদিক ধৰ্ম্ম এওঁলোকৰ মাজত প্ৰচাৰিত হোৱাৰ লগে লগে নতুন জাগৰণৰ সৃষ্টি হয়। পূজ্যপাদ শ্ৰীযুত কালী চৰণ ব্ৰহ্ম সেই জাজৰণৰ প্ৰথম নেতা। তেখেতৰ নেতৃত অধিকাংশ শিক্ষিত বড়ো ভদ্ৰ পৰিয়াল নতুন ধৰ্ম্মত দীক্ষিত হয় আৰু এইভাবে 'ব্ৰহ্ম' সম্প্ৰদায় বুলি নতুন সম্প্ৰদায়ৰ সৃষ্ট হয়।

আগৰ জাতীয় পূজাৰ্চ্চনা ত্যাগ কৰি এওঁবিলাকে যাগযজ্ঞ আৰু জপ উপাসনাদিৰ দ্বাৰা পৰম ব্ৰহ্মাৰ উপাসনা কৰিবলৈ ধৰে ।নতুন ধৰ্ম্ম প্ৰচাৰৰ লগে লগে সমগ্ৰজাতিৰ মাজত শিক্ষা আৰু উন্নতি লাভৰ এটা প্ৰবল আকাঙ্ক্ষা জাগি উঠে। অনাবেৰি ম্যাচিষ্ট্ৰেট স্বৰ্গীয় ৰায়চাহেব জগৎ চন্দ্ৰ মহাশয় আৰু দুই এজন নেতাৰ নেতৃত্বাধীনত একদল বড়ো আগৰ ৰীতিনীতি আৰু পূজাপদ্ধতি বজায়

ৰাখিবলৈ বদ্ধপৰিকৰ হয়। এইভাবে দুইটি দল সৃষ্টি হোৱাৰ লগে লগে জাতিৰ মাজত অনৈকাৰ সৃষ্টি হয়। মাজতে দুই দলৰ ভিতৰত বিবাহ আৰু খোৱালোৱা প্ৰায়েই বন্ধ হৈছিল । বৰ্ত্তমান সময়ত ধৰ্ম্মবিষয়ে মতৰ অনৈক্য থাকিলেও সামাজিক সকলো বিষয়ে দুয়োটা দল আকৌ এক হৈ গৈছে। এতিয়া এওঁবিলাকে ব্ৰাহ্মণৰ শৰণ নলৈ নিজৰ জাতীয় বিশেষত্ব ৰক্ষা কৰি উদাৰ ধৰ্ম্মমত গ্ৰহণৰ পক্ষপাতী। পৰমহংস শিবনাৰায়ণ স্বামীৰ ধৰ্ম্মমতকে এওঁবিলাকে বড়োজাতিৰ উপযুক্ত ধৰ্ম্মমত বুলি স্থিৰ কৰি লৈছে। এওঁবিলাকে প্ৰাচীন বীৰ আৰু ৰাজবংশধৰ বুলি হিন্দুসমাজত ক্ষত্ৰিয়ত্ব দাবী কৰিবলৈ বিচাৰে। কাছাৰজিলাৰ বড়োডিমাছা কচাৰিবিলাকে অতি প্ৰাচীন কালৰ পৰাই ব্ৰহ্মণৰ বিধানানুষায়ী ক্ষত্ৰিয়োপবীত ধাৰণ কৰি ক্ষত্ৰিয় বুলি পৰিচয় দি আহিছে। এওঁবিলাকে নামৰ পিচত বৰ্ম্মণ উপাধি লিখে। কামৰূপ, দৰং, গোৱালপাড়া, আৰু জলপাইগুৰি জিলাৰ বড়োবিলাকৰ ভিতৰত অনেকে খৃষ্টধৰ্ম্ম অবনম্বন কৰিছে আৰু অনেকে ব্ৰাহ্মণৰ শৰণ লৈ শৰণীয়া হৈ গৈছে। বেচি ভাগ মানুহ এতিয়াও জাতীয় ধৰ্ম্ম আৰু ৰীতিনীতি ৰক্ষা কৰি আছে। শিৱসাগৰ, নগাওঁ আৰু লক্ষীমপুৰৰ জিলাতো সেই একেই অৱস্থা। জাতীয় ছাত্ৰ সন্মিলনীৰ চেষ্টাত এওঁলোকৰ মাজত আজি কেইবাবছৰো হল এটা বড়োজাদীয় মহাসন্মিলন প্ৰতিষ্ঠিত হৈছে। জাতীয় বিক্ষিপ্ত ভাইসকলক একতাবদ্ধ কৰি সাধাৰণ উন্নতিৰ চেষ্টা কৰাই এই সন্মিলনৰ উদ্দেশ্য। বড়োজাতীয় সকলো মানুহেই যাতে এক ধৰ্ম্মৱলম্বী হয় তাৰো প্ৰস্তাবাদি চলিছে। ছাত্ৰসন্মিলনৰ দ্বাৰা 'বিবাৰ' নামে আলোচনী এখন কেইবছৰমান পৰিচালিত হৈছিল। ডিব্ৰুগড়ৰ পৰা শ্ৰীযুত কীৰ্ত্তিনাথ থাখলাৰীৰ সম্পাদকতাত 'প্ৰভাতী' নামে আৰু এখন পত্ৰিকা পৰিচালিত হৈছিল। বৰ্ত্তমানে ছাত্ৰসকলৰ প্ৰবল প্ৰচেষ্টাত 'নায়ক' নামে এখন কাকত চলিছে। মোৰ শুভ ইচ্ছা যে এই কাকতখনে শত বাধাবিঘিনি পাৰহৈ জীয়াই থাকি জাতীয় হিত সাধিব। সদৌ আসাম ট্ৰাইবল লীগৰ মূখপত্ৰ হিচাবে এখন কাকত উলিয়াবলৈ বৰ্ত্তমানে চেষ্টা চলিছে। আশা কৰোঁ এই চেষ্টা অচিৰে ফলৱতী হব।

**বড়োসেনা –**

বড়োবিলাকৰ ভিতৰত ক্ষত্ৰিয় তেজ এতিয়াও আছে। আসাম-বঙ্গ বৃটিচৰ





ৰাজত্বলৈ অহাৰ সময়ৰ পৰাই এই জাতীয় হাজাৰ হাজাৰ মানুহ বৃটিচ সৈন্যবিভাগত কাম কৰি আহিছে। এই জাতিৰ বাবে এটি পৃথক ৰেজিমেন্ট থকা আৰশ্যক। এই জাতীয় শত শত সৈন্যক গুৰ্খা সৈন্যৰ লগত যুদ্ধক্ষেত্ৰলৈ পঠিয়াই দিয়া হয়। অনেক বড়ো সৈন্য গুৰ্খা সৈন্যৰ দলত ভূক্ত হৈ যুদ্ধক্ষেত্ৰত প্ৰাণ দি আহিছে। কিন্তু নাম হৈছে গুৰ্খাবিলাকৰ। অনেক ক্ষেত্ৰত এই জাতীয় বহু সৈন্যকে গুৰ্খা বুলিয়েই ধৰা হয়। বিগত মহাযুদ্ধত এই জাতীয় বহু সৈন্য প্ৰাণআহুতিদি আসামৰ তথা ভাৰতৰ গৌৰৱ বৃদ্ধি কৰিছে। ইয়াৰ বাহিৰেও ব্ৰহ্মযুদ্ধ, মণিপুৰ আৰু লুচাই যুদ্ধতো এই জাতীয় কেইবাশও সৈন্যই প্ৰাণত্যাগ কৰি বীৰত্ব আৰু ৰাজভক্তিৰ পৰকাষ্ঠা দেখুৱাই গৈছে। এওঁবিলাকৰ ভিতৰত পেঞ্চনপ্ৰাপ্ত বহু চুবাদাৰ, মেজৰ চুবাদাৰ আৰু চৰ্দাৰ বাহাদুৰ এতিয়াও আছে।

**অভাৱ অভিযোগ –**

এওঁলোকৰ মাজত আভাৱ অভিযোগ অতি পূৰামাত্ৰায় আছে। অশ্যে এতিয়াও এওঁলোকৰ শিক্ষিত যুবকসকলে এই বড়োজাতিৰ সম্পৰ্কিত সম অৱস্থাপন্ন অন্যান্য বহুজাতিৰে সৈতে একতাবদ্ধ হৈ ৰাজনৈতিক অধিকাৰ দাবী কৰিবলৈ বদ্ধপৰিকৰ হৈছে। এই উদ্দেশ্য গোটেই ট্ৰাইবেলজাতিকে এটাশক্তিশালী সঙঘত আবদ্ধ কৰিবৰ কাৰণে 'আসাম ট্ৰাইবেল লীগ' গঠন কৰা হৈছে। নতুন শাসন সংস্কাৰৰ ফলত এতিয়া প্ৰাদেশিক ব্যৱস্থা পৰিষদত এওঁলোকে এওংলোকৰ নিজৰ প্ৰতিনিধি পঠিয়াই ন্যায্য অধিকাৰ দাবী কৰিবৰ সুযোগ পাইছে। আসাম মন্ত্ৰীসভাতো এওঁলোকে এতিয়া এওঁলোকৰ নিজৰ এজন প্ৰতিনিধি পাইছে।

**উপসংহাৰ–**

বড়োজাতিৰ এনে এদিন আছিল যেতিয়া সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাৰ অধিবাসীবিলাকে এইজাতিৰ ওচৰত অধীনতা স্বীকাৰ কৰি এওঁলোকৰ ভাষা গ্ৰহণ কৰিবলৈ বাধ্য হৈছিল । কালৰ কুটীল প্ৰবাহত বৰ্ত্তমান দুৰৱস্থাপন্ন হলেও এতিয়াও এই জাতিৰ লোকসংখ্যা কম নহয়। এই জাতিৰ লগত বিশেষভাবে সম্পৰ্কিত ক্ষুদ্ৰ ক্ষুদ্ৰ শাখা সম্প্ৰদায়ৰ লোকসংখ্যা ধৰিলে এই বিপুল জাতিৰ মুঠ লোকসংখ্যা এতিয়াও সমগ্ৰ আমামৰ লোকসংখ্যাৰ এক পঞ্চমাংশ হব। এনে এটা বৃহৎ শক্তিশালী জাতি যে এতিয়াও অৱজ্ঞাত অৱস্থাত আছে ই

বড়োৰজাতিৰ পক্ষে কম দুৰ্ভাগ্যৰ কথা নহয়। উপযুক্ত শিক্ষাৰ অভাৱেই ইয়াৰ কাৰণ।

হে বড়োভাই সকল, আৰু কিমানদিন এইভাবে মোহাবিষ্ট হৈ থাকিবা? এই সময়ত নিশ্চেষ্ট হৈ বহি থাকিলে নচলিব। উঠা, বীৰবংশধৰ ক্ষত্ৰিয় তোমালোক, কৰ্ম্মক্ষেত্ৰত বীৰৰ দৰে অৱতীৰ্ণ হৈ নিজৰ যোগ্যস্থান অধিকাৰ কৰা। একমাত্ৰ শিক্ষা প্ৰচাৰ আৰু সঙ্ঘবদ্ধতাৰ ফলে লক্ষ্য ৰাখি জাতিৰ উন্নতি লাভ কৰিবলৈ যিভাবে পাৰা কায়মনোবাক্যে, চেষ্টা কৰা। ব্যষ্টিৰ পৰা সমষ্টি, বিন্দুৰ পৰা মহাবিন্দু। তোমালোকে প্ৰত্যেকে জাতিৰ মঙ্গল সাধনৰ কাৰণে যথাশক্তি চেষ্টা কৰিলে জাতিৰ দ্ৰুত উন্নতি অৱশ্যম্ভাবী। অন্যৰ ওচৰত হাত নেপাতিবা। নিজৰ ভৰি ওপৰত থিয় হৈ প্ৰকৃত মানুহৰ নিচিনা নিজে নিজৰ কাম কৰি লোৱা। অসম্ভৱক সম্ভৱত পৰিণত কৰিবলৈ ঐশী শক্তি তোমালোকৰ গাত সম্পুৰ্ণৰূপে আছে। তুমি মানুহ হৈও তোমাৰ মানৰ জীৱন ফুটাই তুলিব নোৱাৰিলে কিম্বা চেষ্টা নকৰিলে কেনেকৈ চলিব? ক্ষত্ৰিয় চৰ্চ্চা কৰা। বীৰ্য্যবান আৰু শক্তিমান হৈ জাতিৰ কল্যাণ সাধনত অগ্ৰসৰ হোৱা। গভীৰ ভাবে চিন্তা কৰি বুকুত হাত দি নিজ জাতিৰ দুৰৱস্থাৰ কথা ভাব আৰু অন্যায়ৰ প্ৰতিকাৰ কৰিবলৈ বদ্ধপৰিকৰ হোৱা। শ্ৰীভগবান তোমালোকৰ সহায় লৈ আছে - ভয় কিহৰ?

*"উদ্ধৰেদাত্মানাত্মানং নাত্মানমবসাদয়েৎ।*
*আত্মৈব হ্যাত্মনো বন্ধুৰাত্মৈব বিপুৰাত্মান ঃ।।"*

*ওঁ শান্তি! ওঁ শান্তি! ওঁ শান্তি!!*







## পৰিশিষ্ট

# বড়োকচাৰি জাতি সম্বন্ধে ঐতিহাসিক তত্ত্ববিদ্‌সকলৰ কেইটামান মতামত।

"It is evident that Kachari or Bodo sovereignty was exercised in Assam in dfferent ages in different names and in different places.

* * * * *
* * * * *

The Kacharis or Bodos all of whom are now living under British authority have initiated movements for the unification of the race. Bodo conferences are a common feature of the political and cultural life of Assam."

Dr. S.K. Bhuya
(Kachari Buranjee)

*Of the three strong tribes who long held dominion in

different parts of upper Assam the earliest to arrive in the country is surmised to have been the Kacharis whose orginal habitat is believed to have been along the foot of the Darjeeling Hills and the marang tract which was known to the Nepalese as the Kachha country. These then travelled east and crossed the Brahmaputra settling in what is now the Nowgaon district between Jorhat and Gaugati. Spreading from these they populated the Dhansiri and Kopili Valleys and all eastern Assam eventually crossing the Southern Hills and occupaying the present district of Cachar.

Of all the ruins in Assam that have excited the interest of Archaeological savants the old fort at Dimapur stands preeminently first which was up to the middle of the 16th century the capital of the Kachari people. They are unique of their kind in Asia ********* The extensive region *********** is known to cover ground at one time owned by the strong Kachari clans in a high state of civilisation with their capital at Dimapur on the Dhansiri river."

**Colonel Shakespear.**

(History of Upper Assam & N.E.F Fronter)

"এক সময়ে কছারিদের রাজ্য রঙ্গপুর হইতে ত্রিপুরা পর্য্যন্ত বিস্তৃত ছিল। ব্রহ্মপুত্র উপত্যকাবাসী কাছীরির বোড়ো বলিয়া আপনাদের পরিচয় দেয়।"

*- যোগেন্দ্র গুপ্ত*

(আসামের ইতিহাস)





" কৈলাস চন্দ্র মহাশয় সিদ্ধান্ত করিয়াছেন যে, এক রাজার দুই পুত্র - একজন ত্রিপুরা ও অন্যজন কাছাড়রাজ্যের প্রতিষ্ঠাতা। একটি সুবিস্তৃত দেশে বড়ো এবং তৎসংমিশ্রিত ভাষা প্রচলিত, তাহাতে কেহ কেহ অনুমান করেন যে এককালে হয়ত সমগ্র আসাম এবং বঙ্গদেশের উত্তরপূর্ব্বাঞ্চল সমস্তই বড়ো সম্রাজ্যোর অন্তর্গত ছিল । আহোমরাজাদের অপেক্ষা কাছাড়ের রাজগণের বৈভব ও শিল্পজ্ঞান অনেক বেশী ছিল।

*- ডাক্তার দীনেশ সেন*

(বৃহৎবঙ্গ, দ্বিতীয় খণ্ড)

* In Aassam proper the Hindus call them Kacharis, in Bengal they are Known as Meches. Their own name for their race is Boro or Bodo. *This comm in Bodo speech was till within a few years ago the language of the kaches, the dominant and ruling tribe in the great Koch kingdom ******** the language which extended from the Himalayas to the Bay of Bengal was Koch or Bodo language and the mass of the people must have been of Bodo orgin. In the Brahmaputra Valley these. Bodos have survived in the midst of Hindu and Shan invaders and settlers. The common people in Assam, the rustic Hindus of the Brahmaputra Valley are in temperament and habits very like the cheerful and smiling Bodo folk."

***J.D. Anderson.***

(Introduction, The Kachoris.)

"They are undoubtedly found well outside the limits of modern polotical Assam i.e. in North East Bengal Koch Behar Etc, and also in Hill Tippera where the language of the people give decisive evidence that they are of Bodo Stock. To these may be added one or two smaller communities e.g. the Morans and the Chutiyas in upper Assam whose language would seem to prove them to be closely akin to the Kachari (Bodo ) race . Under the name of Chutiya that had established a powerful kingdom in the eastern corner of the province, the seat of the Government being at or near the modern Sadiya When as a result of the struggle the defeated race withdrew first to Dimapur and afterwards to Maibong it is not likely that the great body of the Chutiyas (Kacharis) which remained in the rich valley of Assam came to terms with their conquerors (the Ahoms) and gradually became amalgamated with them such as Saxons, Danes Normans etc.

* * * * * *
* * * * * *

Agricultrue is still the great industry of the Kacharis both the hot weather and cold season varieties of rice being largely cultivated, especially the latter. The people are especially skilful in the construction of irrigation canals and earth work embankments for diverting water from river beds into their rice fields. It wil be obvious that the Kacharis have a highly





efficicnt and very inexpensive "Public Works Department" of their own and vigorous efforts of self- help of this character would seem to be worthy of high commendation and hearty support. One of the chief industries, a very profitable one among the Kacharis, is that of the culture of the silkworm known as Eri and the manufacture of the Eri cloth.

It is pleasing to be able to say that among them are to be found many simple virtues of great price i.e. honesty truthfulness and a general trust-worthiness deserving of all honour . The releations of the sexes too are on the whole of a very sound and wholesome character far more so probably than in many countries boasting of a Bigher civilisation.

The standard of chastity among the Kacharis, both men and women, is by no means a low one . A wholesome respect for chastity is maintained and Kachari domestic life is kept comparatively pure.

* * * *

On the whole it may perhaps be safely said that the social and domestic life of the Kacharis is not without its pleasing and satisfactory features. It is probably for the most part far sounder and more wholesome than the life of great cities whether in Asia or Europe."

***Rev. S. Endles.***
(The Kacharis.)

" They (The Kacharis) are indentical with the people

called Mech in Goalpara and North Bengal. These are the names given to them by outsiders. In the Brahmaputra Valleys the Kacharis call themselves Bodo or Bodofisa (sons of the Bodo). In the North Kachar they call themselves Dimasa . Having regard to their wide distribution and to the extent of country over which Bodo language of a very uniform type are still current it seems not impossible that at one time the major part of Assam and North East Bengal formed a great Bodo Kingdom and that some at least of the Kings menationed n the old copper plate inscriptions belonged to the kachari or some closely allied tribe. The wide extent and long duration of Bodo dominion is shown by frequent occurrence of the prefix di or ti the Bodo word for water in the river names of the Brahmaputra Valley. In some cases the old name is disappearing as in the case of the Brahmaputra which in early days of Ahom rule was known as the Tila and the Tista Though its first sylable is clearly the Bodo di or ti is regarded by the Hindus as a corruption of thrishna or trisrota "three springs".

*E.A. Gait.*
(History of Assam)





# ভ্ৰমণ বৃত্তান্ত

## কাছাৰ ভ্ৰমণ
(১৯৪০ চন)

আসামৰ প্ৰাচীন কচাৰিজাতীয় ৰজাসকলৰ ঐতিহাসিক স্মৃমিণ্ডিত কাছাৰ ভূমিলৈ গৈ তত্ৰত্য ৰাজবংশধৰ ডিমাচা কচাৰি ভাইসকলৰ লগত পৰিচিত হবৰ ঐকান্তিক ইচ্ছাৰে তাৰ বনজঙ্গল পৰিদৰ্শন কৰিবৰ উদ্দেশ্যে চিলাংৰ পৰা চিলচৰলৈ ৰাওনা হৈ গলোঁ। চিলংশ্ৰীহট্ট ৰাস্তাত লাইলিংকটৰ পৰা পাইনুৰশ্লা পৰ্য্যন্ত পৰ্ব্বতৰ দাঁতিয়েদি যি সঙ্কীৰ্ণ আলি গৈছে তাৰ দুয়োফালৰ দৃশ্যাৱলী বাস্তৱিকেই অত্যন্ত বিস্ময়কৰ, ভয়াবহ আৰু তেনেই মনোৰম। ৰাস্তাৰ দাঁতিৰ পৰাই বহুদুৰ বিস্তৃত অতলস্পৰ্শী ভীষন খাদ আৰু দূৰে দুৰে দিগন্দপ্ৰসাৰী বন্ধৰ গিৰিমালা। গভীৰ খাদৰ তলদেশত ক্ষীন সূক্ষ্ম জলধাৰা এগছ সুতাৰ নিচিনা বক্ৰগতিৰে বৈ গৈছে আৰু কোনো ঠাইত দূৰে দূৰে উচ্চ পৱ্বতগাত্ৰৰ পৰা কেইটামান ক্ষীণ জলপ্ৰপাতৰ ধাৰা সৱেগে খাদৰ তলিত এই তলবাহিনী জলধাৰাৰ ওপৰত পৰিছে। সচাঁকৈয়েই যেন এখন স্বপ্নৰাজ্যহে। জনপদশূন্য গিৰিবৰ্ত্মৰ এই অপূৰ্ব্ব দৃশ্যই আগন্তুক পৰ্য্যাটকৰ মনত বাস্তৱিকেই বিস্ময়পুলকৰ সঞ্চাৰ কৰি দিয়ে। সন্মুখত বহু দূৰত সমতল শ্ৰীভূমিৰ দৃশ্যাৱলী চিত্ৰপটৰ ন্যায় আকাশৰ লগত মিলি থকাৰ নিচিনা দেখা যায়। দেখি ভাব হয় গিৰিবত্ম যেন সুদূৰ মেঘস্পৃষ্ঠ কোনো সেই কল্প ৰাজ্যৰ ফালে যাত্ৰীবিলাকক লৈ গৈছে। ৰাস্তাৰ এই ভায়াবহ অংশটি অতিক্ৰম কৰি গৈ পাইনুৰশ্লা পাই ডাকবঙলাত বিশ্ৰাম কৰিলোঁ। তাত দূজন ইঞ্জিনীয়াৰ সস্ত্ৰীক বিশ্ৰাম কৰি আছি ল। মোৰ পিচত পাব্লিক চাৰ্ভিচ কমিচনৰ ভূতপূৰ্ব্ব স্বৰ, স্কুলবিভাগৰ ইন্সপেক্তৰ আৰু পাব্লিক একাউন্টচ্ এস্কমিনাৰ (সস্ত্ৰীক) বঙলাত উপস্থিত হল গৈ। তেখেতসকলৰ লগত কথাবাৰ্ত্তা পাতি

কিছু সময় কাটাই চাহ খাই শ্ৰীহট্ট্ৰৰ ফালে যাত্ৰা কৰিলোঁ। পাহাড়ৰ পৰা নামি কিছুদূৰ গৈয়েই জয়ন্তাপুৰ পালোঁ। এই জয়ন্তাপুৰ প্ৰাচীন জয়ন্তাৰজাৰ ৰাজধানী আছিল। এতিয়াও ইয়াত প্ৰাচীৰ, মন্দিৰ আৰু অন্যান্য ভগ্নাৱশেষ দেখা যায়। সন্ধ্যাৰ পিচত শ্ৰীহট্ট্ৰ পালোঁগৈ। সেইদিনা স্থানীয় কৰ্ম্মচাৰী আৰু অন্যান্য লোকৰ লগত দেখা সাক্ষাৎ কৰি তাৰ চাৰ্কিট বঙলাত ৰাতি যাপন কৰি পিচৰ দিনা শ্ৰীহট্ট্ৰ চহৰৰ নিকটস্থিত এটি সৰু ৰিজাৰ্ভ বনত শাল আৰু গামাৰী গছ লগোৱা কাম পৰিদৰ্শন কৰি ভাটিবেলা কৰিমগঞ্জ, ভাঙা আৰু বদৰপুৰ হৈ চিলচৰলৈ যাত্ৰা কৰিলো। ঠিক সন্ধ্যাৰ সময়ত চিলচৰ পালোঁগৈ। তাত পুলিচবিলাকৰ অভিবাদন গ্ৰহণ কৰি ডি.চি. আৰু ডি. এফ. অ'ৰ লগত আমাৰ পৰিদৰ্শণৰ তালকা কৰ পেলালোঁ। তাৰ বৰ্ত্তমান ডি.চি. জনে ডিমাছা কচাৰি ভাষা ভালকৈ জানে। শ্ৰীযুক্ত কৃষ্ণধন বৰ্ম্মণ প্ৰমুখে কেইজনমান বিশিষ্ট ডিমাছা কচাৰি নেতা তেতিয়া মোক দেখা কৰিবলৈ যায়। তেওঁ বিলাকে মোক দেখি অত্যন্ত প্ৰীত, আনন্দিত আৰু উচ্ছ্বসিত হৈ উঠে আৰু মোৰ ভৰিত ধৰি শ্ৰদ্ধাভৰা প্ৰণতি জনায়। ডি.চি. জনে তেওঁলোকৰ লগত ডিমাছা ভাষাত মোৰ শুভাগমন সম্বন্ধে কথাবাৰ্ত্তা কৰে। মোৰ আগমনক তেওঁলোকে সূৰ্য্য আৰু চন্দ্ৰ উদয় হোৱা বুলি ব্যক্ত কৰে। আৰু তেওঁলোকৰ বহু যুগৰ সঞ্চিত আশা পূৰ্ণ হোৱা বুলি ভাব প্ৰকাশ কৰে। তেওঁলোকৰ এই সহজ সৰল প্ৰীতি আৰু শ্ৰদ্ধাৰ ভাবত মই অত্যন্ত মুগ্ধ আৰু প্ৰীত হওঁ। ইমানদিন পিচত যেন তেওঁলোকে তেওঁলোকৰ আশা আকাঙ্খা আৰু দুঃখ দুৰ্দ্দশাৰ কথা জনাব পৰা আপোনাৰ আপোনজনকে বিচাৰি পাইছে। ডিমাছা কুলতিলক আৰু ডিমাছাজাতিৰ গৌৰৱ বুলি তেওঁলোকে বাৰে বাৰে মোক সম্বোধন কৰি গৌৰৱ বোধ কৰে আৰু তেওঁলোকৰ গাওঁলৈ গৈ ডিমাছা ভাইভনীসকলক দৰ্শন দিবৰ কাৰণে বাৰে বাৰে অনুৰোধ কৰে। মই ঔৎসুকা আৰু ধন্যবাদেৰে সৈতে তেওঁলোকৰ অনুৰোধত সন্মতি জ্ঞাপন কৰাত তেওঁবিলাকে বঙলা এৰি ঘৰলৈ গল।

পিচ দিনা প্ৰগ্ৰেম মতে ডি, এফ, অ' আৰু স্থানীয় এচেম্বলী সদস্যৰে সৈতে ইনাৰ লাইন ৰিজাৰ্ভৰ লোহাৰবান্ধ আৰু বিলাইপুৰৰ গছ লগোৱা ঠাই ডোখৰ (Plantation area) পৰিদৰ্শন কৰিবৰ কাৰণে ৰাওনা হৈ গলোঁ।





ৰিজাৰ্ভটো লুচাইপাহাড়ৰ আইজাললৈ যোৱাৰ বাটৰ দাঁতিত চিলচৰ চহৰৰ পৰা প্ৰায় ত্ৰিশ মাইল দূৰত। আইজালৰ ৰাস্তাৰে কিছূদূৰ গৈ ৰিজাৰ্ভৰ ভিতৰত আজাৰ বা জাৰুল গছ লগোৱা (Plantation) দেখিলোঁ। এঠা এঠা লগা বোকা মাটি জাৰুল গছৰ কাৰণে বৰ উপযুক্ত বুলি ভাব হল। গছপুলিবিলাকো বৰ ভাল হৈ উঠিছে। এই ঠাইত প্ৰায় জাৰুল গছকেইৰোৱা হৈছে। জাৰুলকাঠ বৰ মূল্যবান। ইয়াৰ দামো বেচি। জাৰুলকাঠৰ নৌকা তৈয়াৰ কৰে। এই ৰোৱা পুলি বোৰ ডাঙৰ হৈ উঠিলে ভবিষ্যতত দেশত প্ৰচুৰ অৰ্থৰ সমাগম হব। তাৰ স্থানীয় কাঠ ব্যবসায়ী সকলৰো সুবিধা হব আৰু গৱৰ্ণমেন্টৰ ৰাজকোষতো অৰ্থ বৃদ্ধি হব।

এই ঠাইৰ পৰা লুচাই পাহাৰৰ আইজাল পৰ্য্যন্ত সাতদিনৰ বাট খোজকাঢ়ি যাব লাগে। তাৰ পিচত ডি.এফ. অ'য়ে মোক বিলাইপুৰৰ ফালে লৈ গল। তাত বনবিভাগৰ ভিতৰৰ গাওঁ আৰু গছ লগোৱা Plantation দেখিলোঁ। বনবিভাগৰ ভিতৰৰ গাওঁবিলাকত অধিকাংশই বৰ্ম্মণ ডিমাছাজাতীয় লোক । তেওঁলোকৰ লগত কথাবাৰ্ত্তা হৈ জানিব পাৰিলোঁ যে তেওঁলোকৰ অধিক লোকৰেই জমিৰ পৰিমাণ অতি অলপ। তেওঁলোকে কলে যে তেএঁলোকক প্ৰথম বহিবৰ সময়ত তৎকালী ভাৰপ্ৰাপ্ত কৰ্ম্মচাৰীজনে যথেষ্টভাবে জমি দিয়া হব বুলি আশ্বাস দি ৰাখিছিল. তাত বনবিভাগৰ ভিতৰৰ দুইখন গাওঁত দুইখন প্ৰাইমাৰী স্কুল দেলিোঁ। তাৰ পৰা আমালোকে হাইলাকান্দিলৈ গলোঁ। হাইলাকান্দিৰ মহকুমাধিপতিয়ে মাটিজুৰি ঘাটত আমালৈ অপেক্ষা কৰি থকা দেখিলোঁ । হাইলাকান্দি বঙলালৈ গৈ ডি.চি কো পালোঁ আৰু তাত জামিৰা ৰিজাৰ্ভখুলি দিয়া সম্বন্ধে যি আলোচনা কৰিব আছিল কৰি পেলালোঁ। আলোচনাত এচ্ ডি চি. এচ্ ডি অ' ডি.চি. আৰু ডি,এফ অ' আছিল। আলোচনা শেষ কৰিয়েই বন্ধুবৰ অনাৰেব'ল শ্ৰীযুত হীৰেন্দ্ৰ চক্ৰবৰ্ত্তী মহাশয়ৰ সুযোগ্য ভ্ৰাতাসকলৰ অনুৰোধমতে তেখেতসকলৰ ঘৰলৈ গৈ প্ৰচুৰভাবে পানভোজন কৰা হল। বৰ ডাঙৰ জমিদাৰ। ঘৰবাৰী বৰ চমৎকাৰ। পুখুৰী, ধানৰ ভৰাল আৰু ডাঙৰ ঘৰেৰে ভৰপুৰ। ঠিকেই আদৰ্শ জমিদাৰৰ ঘৰ। তেখেতসকলৰ আতিথেয়তা, আদৰ, অভ্যৰ্থনা আৰু অমায়িক ব্য ৱহাৰ দেখিলে বাস্তৱিকেই মুগ্ধ হবলগীয়া হয়। খুব খুলোঁ। ভুৰি ভোজনৰ পিচত চক্ৰবৰ্ত্তী মহাশয়ৰ ভায়েক সকলৰ পৰা বিদায় লৈ চিলচৰলৈ উভতি আহোঁতে বাটত সন্ধ্যাৰ পিচত

বে'চ এটা মজাৰ ঘটনা হল। মাটিজুৰি ঘাট পাবহৈ কিছুদূৰ অহাৰ পিচত হাবিয়নি পোৱাৰ আগতে বৰ অন্ধকাৰ হল। হাবিৰ মাজেদিয়েই প্ৰায় বহুদূৰ আহিব লাগে। হাবিত সোমাম ঠিক এনে সময়তে আলিৰ ওপৰত দুয়োফালে দুটা হৰিণ অবাক হৈ মটৰৰ ফালে চাই আছে। মটৰ লাহে লাহে চলোৱা হল। হৰিণীটো জাপ মাৰি আলিৰ দাঁতিৰ নামৰি ফালে গল আৰু হৰিণটো বিবুদ্ধি হৈ মটৰৰ ফালে দৌৰি আহি মটৰত বৰকৈ খুন্দা খাই দীঘল হৈ আলিৰ ওপৰতে পৰি ৰল। সেই খুন্দাত মটৰগাড়ীৰ লাইট নষ্ট হৈ যোৱাত মটৰগাড়ীও অচল হৈ পৰিল। আলিৰ একোকেই দেখা নাযায়। কথাতে কয় – য'তে বাঘৰ ভয় ত'তে ৰাতি হয়। ওচৰত কোনো গাওঁ বা বসতিও নাই। সন্মুখত আৰু দুয়ো দাঁতিত ভীষণ অৰণ্য। চিলচৰ এতিয়াও ২০ মাইল দূৰ আগত আৰু হাইলাকন্দিও অনেক দূৰ পিচত। গাড়ীৰ অৱস্থা দেখি চিন্তা ভাবনা লাগিল। তেতিয়া এই অৱস্থা আৰু দুৰ্যোগত বেচেৰা হৰিণটিৰ ওপৰত চকু দিবৰ সেই ৰকম আৱসৰ নাই। মটৰ ৰাখি পিচৰ ফালে আহি চাওঁ যে তেতিয়াও আলিৰ ওপৰতে হৰিণটো ভয় পাই আলিৰ দাঁতিৰ হাবিৰ ফালে পৰি গল। অন্ধকাৰত কোনো পোহৰ নথকাত আমি আৰু তৰ ফালে চকু দিব নোৱাৰিলোঁ । তাৰ ভাগ্যত পিচত তাৰ অৱস্থা কি হল নেজানিলোঁ। আমি কোনো প্ৰকাৰে আন্ধাৰত লাহে লাহে আৰু সতৰ্কতাৰে মটৰগাড়ীৰে হাবি পাৰ হৈ আহি এখন চাহ বাগিচাৰ ওচৰ পালোঁ। ডি. এফ. অ'ই চাহ বাগিচাৰ মেনেজাৰৰ পৰা গাড়ী বন্দোবস্ত কৰি আনিলত সেই গাড়ীৰে চিলচৰ গৈ পালোঁ।

(২)

পিচৰ দিনা হাউয়ৈখাংৰ ফালে ৰিজাৰ্ভ বনত বনবিভাগৰ গাওঁ আৰু গছ লগোৱা চাবৰ কাৰণে ৰাওনা হৈ গলো। বাটতে ধলাই গাওঁ আৰু তাৰ ওচৰৰ স্থানীয় বৰ্ম্মণনেতা স্বৰ্গীয় নিত্যানন্দ বৰ্ম্মণৰ চেষ্টাত প্ৰতিষ্টিত নিত্যানন্দ হাইস্কুল। প্ৰথমে হাইস্কুল পৰিদৰ্শন কৰি ধলাই গাওঁতে পূৰ্ব্বোক্ত কৃষ্ণধন ডাঙৰীয়াৰ আহুত ডিমাছা কচাৰি বিলাকৰ বিৰাট সভামণ্ডপত উপস্থিত হলোঁগৈ। সভাত স্থানীয় ডিমাছা কচাৰিবিলাকৰ পক্ষে প্ৰদত্ত অভিনন্দনপত্ৰ পাঠ কৰাৰ পিচত তাৰ উত্তৰত কচাৰিজাতিৰ অতীত বৰ্ত্তমান অৱস্থা, সমাজিক, আৰ্থিক শিক্ষা,





দীক্ষা, সঙ্ঘবদ্ধতা আৰু একতাৰ প্ৰয়োজনীয়তা সম্বন্ধে নাতিদীৰ্ঘ বক্তৃতা দিলোঁ আৰু তেওঁলোকৰ অভাৱ অভি যোগ শুনিলোঁ। তাৰ পিচত তেওঁবিলাকে মোক গাৱঁৰ এঘৰৰ তাত বহুৱাই গ্ৰামস্থ স্ত্ৰীলোকবিলাকক, মোৰ দৰ্শনলাভৰ সুযোগ কৰি দিয়ে। স্ত্ৰীলোকবিলাকে মাঙ্গলিক উলুধ্বনি কৰি কৰি শ্ৰেণীবদ্ধ হৈ প্ৰণতভাবে মোক ভক্তি অভিবাদন জনায় আৰু কেইজনীমান ছোৱালীয়ে মোক পুস্পমাল্যেৰে ভুষিত কৰে। তেওঁবিলাককৰ এই সৰল অমায়িক ব্যৱহাৰ, আদৰ, অভ্যৰ্থনা আৰু ভক্তি শ্ৰদ্ধাভাব দেখি মই অত্যন্ত মুগ্ধ আৰু প্ৰীত হওঁ। সকলোৰে মুখত যেন বহুদিনৰ আশা আকাঙ্খা পূৰ্ণ হল এনে ভাব দেখা গল। অভিনন্দনতেও তেওঁবিলাকে মোক ডিমাছাকুলতিলক আৰু ডিমাছাজাতিৰ উজ্জল ৰত্ন বুলি অভিনন্দিত কৰে। অতি আপোনৰ জন বুলি আবালবৃদ্ধবণিতা সকলোৱে মোৰ ফালে চাই আনন্দৰ ভাব প্ৰকাশ কৰে। আনন্দ উৎসাহত উৎফুল্ল হৈ তেওঁবিলাসে মোক বিদায় দিলে। তেওঁলোকৰ পৰা বিদায় লৈ ৰিজাৰ্ভ বনৰ ফালে ৰাওনা হৈ গলোঁ।

কাবুগঞ্জ পৰ্য্যন্ত মটৰেৰে গৈ তাৰ পৰা হাতীত উঠি হাউয়ৈথাং গৈ পালো।

ৰুক্মিনী নদীৰ আন পাৰলৈ পাৰহৈ গৈ বনবিভাগৰ গাওঁবিলাক দেখিলোঁ। সেওৰাৰথল গাওঁৰ নিম্নপ্ৰাইমাৰী স্কুলত কিছু পৰ বহি গ্ৰমবাসীবিলাকৰ কথা শুনিলোঁ। গ্ৰামবাসীৰ সকলোৱেই ডিমাছা বৰ্ম্মণ। তেওঁলোক সকলোৱেই মোক দেখি আনন্দিত হল। সকলোৱেই ডিমাছা ভাষাত কথাবাৰ্ত্তা কৈছিল। মোৰে খুব ভাল লাগিছিল। তেওঁবিলাক সকলোৱেই ক্ষত্ৰিয় উপবীতধাৰী। ঘৰবাৰী খুব পৰিস্কাৰ পৰিচ্ছন্ন ভাবে ৰাখে। ঠিক উচ্চহিন্দুবিলাকৰ নিচিনাই পূজাপাৰ্ব্বণাদি কৰে। তেওঁ লোকৰো জমিৰ অভাৱ। ২/১ জনৰ যথেষ্ঠ জমি থাকিলেও অধিকাংশ লোকৰে জমিৰ পৰিমাণ অতি কম। অনেক পূৰ্ণ খাজনা দি বেগাৰৰ পৰা ৰেহাই পাবৰ কাৰণে ইচ্ছ প্ৰকাশ কৰে। অনেক বূৰ্ণ খাজানা দি বেগাৰৰ পৰা ৰেহাই পাবৰ কাৰণে ইচ্ছা প্ৰকাশ কৰে। অনেকে ভোটৰ অধিকাৰ পাবৰ কাৰণে উদ্‌গ্ৰীৱ। এই সকলো গাৱতে চৌকিদাৰী প্ৰথাৰ প্ৰচলন কৰি ভোটাধিকাৰ দিবলৈ ব্যৱস্থা কৰা যাব পাৰে। অনেক ডিমাছা বৰ্ম্মণ মানুহ বনবিভাগৰ

গাওঁবিলাকত থাকে। তেওঁবিলাকে মোক প্ৰায় এখাৰখন মান গাওঁৰ নাম কলে আৰু প্ৰায় তিনিশৰো অধিক ঘৰ মানুহ থকাৰ কথা কলে। কাজেই দেখা যায়, এক কাছাৰবিভাগৰ বনৰ গাওঁবিলাকতে ডিমাছা বৰ্ম্মণবিলাকৰ সংখ্যা তিনি হাজাৰৰো অধিক হব। সেওবাৰথলৰ প্ৰাধান মাতবৃৰজনৰ নাম ক্ষেত্ৰিসিং বৰ্ম্মণ। তেওঁৰ প্ৰায় ৫৫ বিঘা মান মাটি আছে। তেওঁলোকে কয় ডিমাছাৰ ৪০টা সেংফং বা Subclans আছে আৰু বড়ো আৰু বড়ো তাৰেই এটা। তাত এজন বড়োছা দেখিলোঁ। তেওঁৰ নাম সূৰ্য্যমণি বৰ্ম্মণ। বনবিভাগৰ ডিমাছা গাওঁবিলাকত ৪/৫ খন মান প্ৰাইমাৰী স্কুল থকাৰ কথা কলে। তেওঁলোকৰ অৰ্থিক অৱস্থা ভাল নহয়। বনবিভাগৰ গাওঁৰ মানুহবিলাকৰ পৰা বিদায় লৈ হাউয়েথাং অফিচৰ নিকবৰ্ত্তীত গছ লগোৱা পৰিদৰ্শন কৰি ৰিজাৰ্ভৰ পৰা বাহিৰ হৈ আহিলোঁ। ডিমাছা ভাইসকলে বহুদূৰ মোৰ পিচে পিচি আহিছিল। তেওঁলোকৰ সকলোৰে পৰা বিদায় লৈ কাবুগঞ্জলৈ আহি মটৰত উঠি চিলচৰলৈ উলটি গলোঁ। সেইদিনা ৰাতি ডিমাছা ভাইভগিনী সকলৰ অতীত আৰু বৰ্ত্তমান অৱস্থাৰ কথা ভাবোঁতে অনেক সময়ৰ পিচতহে টোপনি আহিছিল।

(৩)

